REFERENCE
NOT FOR ISSUE
LIBRARY

অসম চৰকাৰ

# ১৯৯৯ - ২০০০ চনৰ অসম চৰকাৰৰ বাজেট উত্থাপন উপলক্ষে

অসমৰ মুখ্যমন্ত্ৰী

## শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্তৰ ভাষণ

২৪ মাৰ্চ, ১৯৯৯

REFERENCE
NOT FOR ISSUE

মাননীয় অধ্যক্ষ মহোদয়,

আপোনাৰ অনুমতি সাপেক্ষে মই ১৯৯৯-২০০০ চনৰ বিত্তীয় বছৰটোৰ বাবে অসম চৰকাৰৰ বিত্তীয় প্ৰাক্কলন (Budget estimates) উত্থাপন কৰিব খুজিছো ।

২। বিত্তীয় প্ৰাক্কলন উত্থাপন কৰাৰ আগতে মই থোৰতে ৰাজ্য চৰকাৰৰ বিত্তৰ ওপৰত প্ৰভাৱ পেলোৱা অৰ্থনৈতিক পৰিস্থিতি আৰু কেইটামান খণ্ডৰ কাৰ্য্যকৰণৰ চমু আভাস দিব বিচাৰিছো ।

**ৰাজ্যিক আয়ঃ**

৩। স্বাধীনতা লাভ কৰা পিছৰ ৫০ বছৰত বিশেষকৈ যোৱা কেইবছৰমান দেশৰ সামগ্ৰিক অগ্ৰসৰতাৰ হাৰতকৈ অসম পিচ পৰি ৰৈছে । অষ্টম পৰিকল্পনাৰ কাল ছোৱাত প্ৰকৃত ঘৰুৱা উৎপাদন ভিত্তিত (NSDP) অসমৰ অৰ্থনৈতিক অগ্ৰসৰতাৰ হাৰ স্থিৰ মূল্যত (আধাৰ বছৰ ১৯৮০-৮১) ২.৮ শতাংশ । ইয়াৰ তুলনাত ৭ম পৰিকল্পনাৰ কাল ছোৱাত এই অগ্ৰসৰতাৰ হাৰ সামান্য বেছি অৰ্থাৎ ৩.২ শতাংশ । ইয়াৰ বিপৰীতে মুঠ ঘৰুৱা উৎপাদনৰ ক্ষেত্ৰত স্থিৰ মুল্যত (আধাৰ বছৰ ১৯৮০-৮১) সৰ্ব ভাৰতীয় অগ্ৰসৰতাৰ হাৰ সপ্তম (১৯৮৫-৯০) আৰু অষ্টম (১৯৯২-৯৭) পৰিকল্পনাৰ কাল ছোৱাত গড় হিচাপত যথাক্ৰমে ৬ শতাংশ আৰু ৬.৮ শতাংশ বৃদ্ধি হৈছে ।

৪। দ্ৰুত হিচাপ অনুযায়ী ১৯৯৭-৯৮ চনৰ অসমৰ প্ৰকৃত ঘৰুৱা ৰাজ্যিক আয় চলিত মূল্যত ১৮,৮৬৫ কোটি টকা আৰু স্থিৰ মূল্যত (আধাৰ বছৰ ১৯৮০-৮১) ৪৩০২ কোটি টকা । ১৯৯৬-৯৭ চনৰ অস্থায়ী হিচাব মতে ঘৰুৱা ৰাজ্যিক আয় আছিল চলিত মূল্যত ১৭,৪৭৯ কোটি টকা আৰু স্থিৰ মূল্যত (আধাৰ বছৰ ১৯৮০-৮১) ৪১৯০ কোটি টকা । গতিকে দেখা যায় যে ১৯৯৬-৯৭ চনতকৈ ১৯৯৭-৯৮ চনত ৰাজ্যখনৰ প্ৰকৃত ঘৰুৱা আয় চলিত মূল্যত শতকৰা ৭.৯ ভাগ আৰু স্থিৰ মূল্যত (আধাৰ বছৰ ১৯৮০-৮১) শতকৰা ২.৭ ভাগ বৃদ্ধি সূচায় । দ্ৰুত হিচাপ অনুযায়ী ১৯৯৭-৯৮ চনত ৰাজ্যখনৰ জনমূৰি আয় চলিত মূল্যত ৭৩৩৫ টকা আৰু স্থিৰ মূল্যত ১৬৭৩ টকা (আধাৰ বছৰ ১৯৮০-৮১) । পূৰ্বৰ বিত্তীয় বছৰৰ অস্থায়ী হিচাপ মতে ১৯৯৬-৯৭ চনত জনমূৰি আয় যথাক্ৰমে ৬৯২৮ টকা আৰু ১৬৬১

বছৰৰ অস্থায়ী হিচাপ মতে ১৯৯৬-৯৭ চনত জনমূৰি আয় যথাক্ৰমে ৬৯২৮ টকা আৰু ১৬৬১ টকা বুলি ধৰা হৈছিল । শতকৰা হিচাপত ১৯৯৭-৯৮ চনত জনমূৰি আয়ৰ পৰিমাণ পূৰ্ব্বৰ বছৰৰ তুলনাত চলিত মূল্যত শতকৰা ৫.৯ ভাগ আৰু স্থিৰ মূল্যত (আধাৰ বছৰ ১৯৮০-৮১) শতকৰা ০.৭ ভাগ বৃদ্ধি পায় ।

৫। যোৱা দশক কেইটাত অসমৰ অৰ্থনীতিত ক্ষেত্ৰ ভিত্তিত আমূল পৰিবৰ্ত্তন হৈছে । সামূহীক বিশ্লেষণৰ পৰা দেখা যায় যে ১৯৮০-৮১ চনৰ আধাৰ বছৰ ধৰি স্থিৰ মূল্যত প্ৰাথমিক ক্ষেত্ৰৰ অৱিহনা ১৯৮০-৮১ চনৰ ৪৮ শতাংশৰ পৰা ১৯৯৭-৯৮ চনত ৪০.৮ শতাংশলৈ হ্ৰাস পাইছে । ঠিক তেনেকৈ মাধ্যমিক ক্ষেত্ৰৰ অৱিহনাও ১৯৮০-৮১ চনৰ ১২ শতাংশৰ পৰা ১৯৯৭-৯৮ চনত ১১.৪ শতাংশলৈ হ্ৰাস পাইছে । আশাকৰা দৰেই তৃতীয় ক্ষেত্ৰৰ অৱিহনা ১৯৮০-৮১ চনৰ ৪০ শতাংশৰ পৰা ১৯৯৭-৯৮ চনত ৪৭.৮ শতাংশলৈ বৃদ্ধি পাইছে । চৰকাৰী ক্ষেত্ৰত নিয়োগৰ হাৰ বৃদ্ধিৰ কাৰণেই মূলতে তৃতীয় ক্ষেত্ৰৰ অৱিহনা বৃদ্ধি পাইছে ।

**মূল্য ঃ**

৬। মূল্যৰ উৰ্দ্ধগামী গতি এক সৰ্বভাৰতীয় বৈশিষ্ট আৰু অসমো ইয়াৰ ব্যতিক্ৰম নহয় । পাইকাৰী মূল্যসূচী (আধাৰ ১৯৫৩-১০০) আগৰ বছৰৰ অনুৰূপ সময় ছোৱাৰ তুলনাত ১৯৯৮ চনৰ প্ৰথম ৬ টা মাহত ৫.৪ শতাংশ লৈ বৃদ্ধি পায় । সেই একে দৰে শ্ৰমিক শ্ৰেণীৰ গ্ৰাহক মূল্য সূচী (আধাৰ ১৯৮২-১০০) ১৯৯৭ চনৰ তুলনাত ১৯৯৮ চনৰ প্ৰথম ৯ টা মাহত ১০.৪ শতাংশ বৃদ্ধি পাইছে ।

৭। যিকিনহওক, বিশেষকৈ সৰ্বসাধাৰণ ৰাইজে ব্যৱহাৰ কৰা কিছুমান অত্যাৱশ্যকীয় সামগ্ৰীৰ খুচুৰা মূল্যৰ ১০ শতাংশৰ পৰা ৪০ শতাংশলৈ বৃদ্ধি পোৱাত চৰকাৰ চিন্তিত । সুলভ মূল্যৰ দোকানৰ সংখ্যা বৃদ্ধি কৰি ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ জৰিয়তে সুলভ মূল্যত অত্যাৱশ্যকীয় সামগ্ৰী সমূহ গ্ৰাহকক যোগান ধৰিবৰ বাবে চৰকাৰৰ প্ৰচেষ্টা অব্যাহত থাকিব । প্ৰতিখন গাওঁ পঞ্চায়তে সুলভ মূল্যৰ দোকান আৰু হকাৰৰ অতিৰিক্ত অনুজ্ঞাপত্ৰ প্ৰদান কৰাৰ আঁচনিখন যোৱা বছৰৰ পৰাই ৰূপায়িত হৈ আছে । চৰকাৰে গ্ৰাম্য অঞ্চলত ১৬০০ টা চাকি মিল আৰু চহৰ অঞ্চলত ৩৫০ টা তেনে মিল স্থাপন কৰিবলৈ অনুজ্ঞাপত্ৰ দিবলৈ নীতিগত সিদ্ধান্ত লৈছে যাতে ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ অন্তৰ্গত ঘেঁহু সঠিক ভাবে বিতৰণ হয় । গ্ৰাহক ফৰামৰ সক্ৰিয় কৰণৰ জৰিয়তে লাভখোৰ, ভেজালকৰণ আৰু তেনেধৰণৰ অসৎ পন্থাৰ পৰা হাতসাৰি থাকিব পৰাকৈ জনসাধাৰণৰ মাজত সজাগতা আনিবলৈ চৰকাৰে যথাসম্ভৱ প্ৰচেষ্টা হাতত লৈছে ।

**নিয়োগ ঃ**

৮। মাননীয় সদস্য সকল অৱগত যে ৰাজ্যখনৰ অৰ্থনৈতিক অগ্ৰসৰতাৰ লেহেমীয়া গতিৰ ফলত বিশেষকৈ শিক্ষিত যুৱক সকলৰ মাজত গুৰুতৰ নিবনুৱা সমস্যাৰ সৃষ্টি হৈছে। ১৯৯৩-৯৪ চনৰ হিচাপ মতে অসমত মুঠ নিবনুৱাৰ পৰিমাণ ৭.৫৮ শতাংশ, ই সৰ্বভাৰতীয় সংখ্যাতকৈ ২.৫৬ শতাংশতকৈয়ো বেছি। ১৯৯৩-৯৪ চনত ৰাজ্যখনত শিক্ষিত যুৱকৰ মাজত নিবনুৱাৰ পৰিমাণ ২৯.০২ শতাংশ, যিটো সৰ্ব্বভাৰতীয় সংখ্যাৰ ৯.৫৬ শতাংশৰ তুলনাত যথেষ্ট বেছি। গ্ৰাম্যাঞ্চলত শিক্ষিত নিবনুৱাৰ পৰিমাণ (৩৩.৭৯ শতাংশ) চহৰ অঞ্চলতকৈয়ো (১৭.৫৩ শতাংশ) বেছি।

৯। নিয়োগ বিনিময় কেন্দ্ৰ সমূহৰ চলন্ত পঞ্জী অনুসৰি ৰাজ্যখনত চাকৰি বিচৰা প্ৰাৰ্থীৰ সংখ্যা ১৯৯৭ চনৰ ডিচেম্বৰৰ শেষলৈকে ১৪.৯৫ লাখৰ তুলনাত ১৯৯৮ চনৰ ডিচেম্বৰৰ শেষত ১৬.১৯ লাখ হৈছেগৈ অৰ্থাৎ ৮.৩ শতাংশ বৃদ্ধি পাইছে। ১৯৯৮ চনৰ ডিচেম্বৰ মাহৰ শেষলৈকে মুঠ চাকৰি প্ৰাৰ্থীৰ ভিতৰত শিক্ষিত চাকৰি বিচৰা প্ৰাৰ্থীৰ সংখ্যা ১২.১৭ লাখ অৰ্থাৎ মুঠ চাকৰি প্ৰাৰ্থীৰ ৭৫ শতাংশ। মহিলা চাকৰি বিচৰা প্ৰাৰ্থীৰ সংখ্যা ৩.১৬ লাখ আৰু অনুসূচীত জাতি, অনুসূচীত জনজাতি তথা অন্যান্য পিছপৰা শ্ৰেণীৰ চাকৰি বিচৰা প্ৰাৰ্থীৰ সংখ্যা যথাক্ৰমে ০.৮৫ লাখ, ১.৬৩ লাখ আৰু ৩.৩৩ লাখ আৰু শাৰীৰিক ভাৱে অক্ষম চাকৰি প্ৰাৰ্থীৰ মুঠ সংখ্যা হৈছে ০.০৪ লাখ। ৰাজ্যখনৰ ভয়াবহ ৰূপ ধাৰণ কৰা নিবনুৱা সমস্যাৰ প্ৰতি চৰকাৰ অতিশয় সজাগ। ব্যক্তিগত আৰু ৰাজহুৱা খণ্ডত নিয়োগমুখী বিনিয়োগ নোহোৱাত ৰাজ্যখনৰ জনসংখ্যা বৃদ্ধি আৰু শিক্ষাৰ সম্প্ৰসাৰণৰ সৈতে নিয়োগ ব্যৱস্থাই সমানে তাল মিলোৱাত ব্যৰ্থ হৈছে। চৰকাৰে স্বনিয়োজন ব্যৱস্থা কৰি এই সমস্যাৰ সমাধান কৰিবলৈ চেষ্টা কৰিব। সেইমতে মুখ্যমন্ত্ৰী বিশেষ সংস্থান আঁচনিৰ অধীনত ৫ লাখ লোকৰ সংস্থানৰ সুবিধা সৃষ্টি কৰাৰ সিদ্ধান্ত লোৱা হৈছে। নিয়োগৰ সুবিধা সৃষ্টি কৰা এখন কাৰ্য্যকৰী আচঁনি প্ৰস্তুত কৰি থকা হৈছে। কেন্দ্ৰীয় সংস্থাবোৰত অসমৰ যুৱক সকলক নিয়োগ কৰিবৰ কাৰণে কেন্দ্ৰীয় চৰকাৰৰ লগত যোগা-যোগ কৰি থকা হৈছে।

**বাৰ্ষিক পৰিকল্পনা ঃ**

১০। ১৯৯৮-৯৯ চনৰ বাবে অনুমোদিত পৰিকল্পনা আবন্টন আছিল ১৬৫০ কোটি টকা। ইয়াৰে ১৪৭.৭৫ কোটি টকা আছিল পাৰ্ব্বত্য আঞ্চলৰ বাবে। বাকী ১৫০২.২৫ কোটি টকা সাধাৰণ অঞ্চলৰ বাবে, তাৰে বহিঃসাহায্য প্ৰকল্পৰ ৯৭.০০ কোটি টকা, দশম বিত্তীয় আয়োগৰ উন্নয়নমূলক আঁচনিৰ ৯৮.৯৫ কোটি টকা আৰু প্ৰাথমিক নুন্যতম সেৱাৰ

৪০২.৫৩ কোটি টকা। সাধাৰণ অঞ্চলৰ পৰিকল্পনা আৱন্টনৰ ভিতৰত জনজাতি উপপৰিকল্পনা আৰু অনুসূচিত জাতি সংযোগী আঁচনিৰ বাবে ধাৰ্য্য কৰা পুঁজিৰ পৰিমাণ যথাক্ৰমে ১৩৯.৯৩ কোটি টকা আৰু ৯৩.৫০ কোটি টকা। ইয়াৰোপৰি ১৯৯৮-৯৯ চনৰ বাৰ্ষিক পৰিকল্পনা আবন্টনত বড়োলেণ্ড স্বায়ত্ব শাসিত পৰিষদৰ বাবে ৯.৩৯ কোটি টকা, জনজাতি উপপৰিকল্পনাৰ বাবে বিশেষ কেন্দ্ৰীয় সাহায্যৰ ২৩.২৭ কোটি টকা, অনগ্ৰসৰ অঞ্চল উন্নয়নৰ বাবে ২.৮৪ কোটি টকা, সীমান্ত অঞ্চল উন্নয়নৰ বাবে ৪.১৭ কোটি টকা, ঝুমখেতি নিয়ন্ত্ৰনৰ বাবে ০.২৫ কোটি টকা ক্ষীপ্ৰতৰ লাভজনক জলসিঞ্চন আঁচনিৰ বাবে ২৫ কোটি টকা আৰু পাৰ্ব্বত্য অঞ্চল উন্নয়ন কাযসূচীৰ বাবে বিশেষ কেন্দ্ৰীয় সাহায্য ৫০.১৬ কোট টকা নিৰ্দ্দিষ্ট কৰি ৰখা হৈছে। সম্পদৰ নাটনি হোৱাৰ কাৰণে পাৰ্ব্বত্য অঞ্চলৰ বাবে আবন্টন কৰা পুঁজি আৰু ওপৰত উল্লেখ কৰা আছুতীয়া পুঁজিৰ কোনো সালসলনি নকৰাকৈ
১৯৯৮-৯৯ চনৰ পৰিকল্পনা পুঁজি ১৩৮৯.৩৭ কোটি টকাত পুনৰ নিৰ্ধাৰণ কৰা হয়। ১৯৯৮-
৯৯ চনৰ বছৰটোৰ বাবে সংশোধিত আৱন্টি ত পুঁজিৰ সম্পূৰ্ণ ব্যয় কৰা হব বুলি আশা কৰা
হৈছে। ১৯৯৭-৯৮ চনত বাৰ্ষিক পৰিকল্পনা শিতানত সংশোধিত ১৩২৪ কোটি টকাৰ
বিপৰীতে ১২১৭ কোটি টকা ব্যয় হয়।

১১। ১৯৯৯-২০০০ চনৰ বাৰ্ষিক পৰিকল্পনা পুঁজি নিৰ্দ্ধাৰিণ কৰাত পলম হোৱা
কাৰণে এই বছৰৰ বাবে আৰম্ভণিতে ধাৰ্য্য কৰা ১৬৫০ কোটি টকা ১৯৯৯-২০০০ চনৰ
বাজেটত পৰিকল্পনা শিতানত ৰখা হৈছে। বিভিন্ন শিতানত অৰ্থাৎ বহিঃসাহায্য প্ৰকল্প,
দশম বিত্ত আয়োগ অনুদান, পাৰ্ব্বত্য অঞ্চল, জনজাতি পৰিকল্পনা আৰু অনুসূচীত সংযোগী
আঁচনি আদিৰ পুঁজি এই বছৰৰ সমপৰ্য্যায়তে ৰখা হৈছে।

১২। যোৱা ৫-৩-৯৯ তাৰিখে মুখ্যমন্ত্ৰী আৰু পৰিকল্পনা আয়োগৰ উপাধ্যক্ষৰ
মাজত অনুষ্ঠিত আলোচনা মৰ্ম্মে, ১৯৯৯-২০০০ চনৰ বাবে বাৰ্ষিক পৰিকল্পনাৰ আকাৰ
সৰ্ব্বমুঠ ১৭৫০ কোটি টকা স্থিৰ কৰা হৈছে। এই সম্পৰ্কে পৰিকল্পনা আয়োগৰ পৰা বিভিন্ন
শিতানৰ আৱন্টনৰ বাবে অপেক্ষা কৰি থকা হৈছে।

১৩। এই বছৰ কেন্দ্ৰীয় চৰকাৰে সাধাৰণতে Non-Lapsable Fund বুলি
পৰিচিত কেন্দ্ৰীয় চৰকাৰৰ "Central Pool of Resources for North Eastern
Region and Sikkim" পুঁজিৰ পৰা ২৩.৯৬ কোটি টকা অসমৰ কাৰণে মোকোলাই দিছে।
ইয়াৰে ৭.৫০ কোটি টকা তিনিটা শক্তি প্ৰকল্পৰ কাৰণে, ১১.২১ কোটি টকা ৮৯ টা ক্ষুদ্ৰ
জলসিঞ্চন আঁচনিৰ বাবে, ৫ কোটি টকা বান নিয়ন্ত্ৰণ প্ৰকল্পৰ বাবে আৰু ০.২৫ কোটি টকা
পথ নিৰ্মাণৰ কাৰণে। আশা কৰা গৈছে এই পুঁজিৰ পৰিমাণ অহা কেই বছৰত বৃদ্ধি পাব।

**কৃষি আৰু সংশ্লিষ্ট খণ্ড ঃ**

১৪। কৃষিৰ ক্ষেত্ৰত জলসিঞ্চনৰ ব্যৱস্থা, সাৰ প্ৰয়োগ আৰু উন্নত মানৰ সঠিক উৎপাদনক্ষম বীজ ব্যৱহাৰ কৰি আৰু খেতি কৰাৰ পদ্ধতি সলনি কৰি আধুনিক প্ৰযুক্তিবিদ্যা প্ৰয়োগ কৰি বানপানী নোহোৱা সময়ত প্ৰতি টুকুৰা মাটিত অধিক উৎপাদন কৰাৰ লক্ষ্য স্থিৰ কৰা হৈছে । এই ক্ষেত্ৰত গ্ৰীষ্মকালীন খেতিৰ পৰিসৰ বৃদ্ধি কৰা, একেডোখৰ মাটিত দুটা বা তাতোধিক খেতি কৰা আৰু একেলগে একাধিক খেতি কৰাৰ ওপৰত গুৰুত্ব দিয়া হৈছে । নৱম পৰিকল্পনাৰ কালছোৱাত খাদ্য শস্যত বিশেষকৈ ধান উৎপাদনত স্বাৱলম্বী হোৱাৰ কাৰণে চেষ্টা চলাই থকা হৈছে ।

১৫। কৃষিজাত সামগ্ৰীৰ উৎপাদন বৃদ্ধি কৰিবলৈ বহিঃসাহায্য প্ৰকল্প, অসম গ্ৰাম্য আন্তঃগাঠনি আৰু কৃষি সেৱা প্ৰকল্পৰ (ARIASP) কাম ১৯৯৫ চনৰ চেপ্তেম্বৰৰ পৰাই ৰূপায়িত হৈ আছে । উক্ত প্ৰকল্পৰ অধীনত এতিয়ালৈকে ৫৭৫০ টা অগভীৰ নলীনাদ (Shallow Tube well) স্থাপন কৰা হৈছে । চলিত বছৰতে আন ১০,০০০ টা অগভীৰ নলীনাদ (Shallow Tube well) ৰাজ্যখনত স্থাপন কৰা হব । এই বছৰ গাওঁ অঞ্চলৰ আন্তঃগাঠনি আৰু কৃষি কামৰ কাৰণে অসম গ্ৰাম্য আন্তঃগাঠনি প্ৰকল্পৰ জৰিয়তে কৃষি শিতানৰ ৭.০৭ কোটি টকাকে ধৰি মুঠ ৩৬.৬৪ কোটি টকা মোকোলাই দিয়া হৈছে । ১৯৯৯-২০০০ চনৰ পৰিকল্পনা বাজেটত এই প্ৰকল্পৰ বাবে ৮০ কোটি টকা ধৰা হৈছে । ১৯৯৯-২০০০ বাৰ্ষিক পৰিকল্পনাত মুঠ আৱন্টন ১৫০ কোটি টকা হোৱাৰ আশা আছে ।

১৬। কৃষি উপযোগী ভূমি সংৰক্ষণৰ বাবে নদী প্ৰশিক্ষণ, গছ ৰোপন কৰা, ভূমি উন্নয়ন, নৰ্দমা নিয়ন্ত্ৰণ,ভূমি পুনৰুদ্ধাৰ আৰু পানী যোগান আঁচনিকে আদি কৰি বিভিন্ন আঁচনি চৰকাৰে ৰূপায়িত কৰি আছে । ১৯৯৯-২০০০ চনত উক্ত কামৰ বাবে ১.৪৮ কোটি টকা নিৰ্দ্ধাৰণ কৰা হৈছে ।

১৭। ৰাজ্যখনৰ মুঠ ২৭ লাখ হেক্টৰ অঞ্চলৰ ৬.৩ লাখ হেক্টৰ অঞ্চল জলাসিঞ্চনে সামৰি লৈছে । জলসিঞ্চন বিভাগে ১০টা বৃহৎ আৰু মজলীয়া জলসিঞ্চন প্ৰকল্প আৰু ১৩২৭ টা ক্ষুদ্ৰ জলসিঞ্চন আঁচনিৰ কাম কৰি আছে । ক্ষীপ্ৰতৰ লাভদায়ক জলসিঞ্চন আচঁনিৰ (AIBP) অধীনত ২৫ কোটি টকা ব্যয়ৰে চলিত বৰ্ষত অতিৰিক্ত ১৮,২০০ হেক্টৰ মাটি জলসিঞ্চনৰ অধীনলৈ অনাৰ ব্যৱস্থা কৰা হৈছে । ১৯৯৯-২০০০ চনৰ বৰ্ষত ৰাজ্যখনৰ চলিত বৃহৎ আৰু মজলীয়া জলসিঞ্চন প্ৰকল্প সমূহৰ নবীকৰণ আৰু পুনৰ সংস্থাপনৰ জৰিয়তে AIBP আচঁনিৰ অধীনত ৬৩.৭ কোটি টকাৰ ব্যয় সাপেক্ষে ৩৮,৩০০ হেক্টৰ মাটি জলসিঞ্চনে

সামৰি লোৱাৰ ব্যাৱস্থা কৰা হৈছে । এই বছৰ ARIASP ৰ অধিনত জলসিঞ্চন আচঁনিৰ বাবে ৩.১৫ কোটি টকা মুকলি কৰি দিয়া হৈছে ।

১৮। অসম গ্ৰাম্য আন্তঃগাঠনি কৃষি সেৱা প্ৰকল্পৰ অধীনত ১৮৪ হেক্টৰ কৃষকৰ পুখুৰী, ২২৩ হেক্টৰ সামূহিক পুখুৰী, ১২৭ টা প্ৰদৰ্শন প্ৰকল্প, ২৪৭৬ হেক্টৰ বিল আৰু মুকলি মীনমহলৰ উন্নয়নকে ধৰি বিষয়া আৰু মৎস্য পালকৰ প্ৰশিক্ষণৰ বাবে ১৯৯৮-৯৯ চনত ২.৫১ কোটি টকাৰ বিপৰীতে ১৯৯৯-২০০০ চনৰ বাবে ৬ কোটি টকাৰ ব্যৱস্থা কৰা হৈছে ।

১৯। পশুপালন খণ্ডত চৰকাৰে কৃত্ৰিম প্ৰজনন পদ্ধতি প্ৰয়োগ কৰি পশুধনৰ উন্নতিৰ ওপৰত অধিক গুৰুত্ব দিছে । অসম গ্ৰাম্য আন্তঃগাঠনি আৰু কৃষি সেৱা প্ৰকল্পৰ অধীনত বছৰটোত ঘাঁহ উৎপাদন, কৃত্ৰিম শুক্ৰ উৎপাদন আৰু বিতৰণ আৰু গো প্ৰজননৰ ব্যৱস্থা কৰা হব । এই খণ্ডত এই বছৰ ARIASP ৰ অধীনত মুকলি কৰি দিয়া মুঠ পুঁজিৰ পৰিমাণ ৩ কোটি টকা । উক্ত খণ্ডৰ বাবে ARIASP ৰ অধীনত ৬ কোটি টকা ১৯৯৯-২০০০ বছৰটোৰ বাবে নিৰ্দ্দিষ্ট কৰি দিয়া হৈছে ।

**দৰিদ্ৰতা নিৰ্মূলকৰণ আঁচনি ঃ**

২০। গ্ৰামাঞ্চলৰ বিভিন্ন আঁচনি সমূহৰ মূল হৈছে দুখীয়া জনসাধাৰণৰ অৰ্থনৈতিক উন্নয়ন । সেয়ে চলিত বছৰৰ সময়ছোৱাত সংহত গ্ৰামোন্নয়ন আঁচনিৰ (IRDP) অধীনত ৭৩,৩১১ জন লোক উপকৃত হ'ব, আৰু আত্ম সংস্থাপনৰ বাবে গ্ৰাম্য যুবকক স্ব-নিয়োজন প্ৰশিক্ষণ (TRYSEM) আঁচনিৰ অধীনত ১০,৯৬৫ জন যুৱকক প্ৰশিক্ষণ দিয়াৰ ব্যাৱস্থা কৰা হৈছে । ইয়াৰে যোৱা ফেব্ৰুৱাৰী মাহলৈকে উপকৃত হোৱা লোকৰ সংখ্যা IRDP ৰ অধীনত ১৭,৩১০ জন আৰু (TRYSEM) ৰ অধীনত ৫৮৬ জন । ইন্দিৰা আৱাস যোজনাৰ (IAY) অধীনত ২৮,৫৭৬ টা গৃহনিৰ্মাণৰ কাম হাতত লোৱা হৈছে । ইয়াৰ ভিতৰত ১০,০৭৯ ঘৰ সম্পূৰ্ণ হৈছে । নিযুত কুৱা আঁচনিৰ (MWS) অধীনত চলিত বৰ্ষত জৱাহৰ ৰোজগাৰ আঁচনি (JRY) ৰ অধীনত প্ৰায় ৭১.২১ লাখ কৰ্ম দিনৰ সৃষ্টি কৰা হৈছে আৰু নিয়োগ নিশ্চিত কৰা আঁচনিৰ ( EAS) অধীনত ১২১.৪৭ লাখ কৰ্ম দিনৰ সৃষ্টি কৰা হৈছে । ১৯৯৮-৯৯ চনৰ বিভিন্ন গ্ৰাম্য উন্নয়ন আঁচনিৰ বাবে আৱন্টিত মুঠ পুঁজিৰ পৰিমাণ হ'ল প্ৰায় ৬০০ কোটি টকা । এতিয়ালৈকে কেন্দ্ৰীয় চৰকাৰে মুকলি কৰি দিয়ে সৰ্ব্বমুঠ ৩৮৭ কোটি টকা আৰু ৰাজ্য চৰকাৰৰ অংশ হিচাবে ৪৫.৫ কোটি টকা মোকোলাই দিয়া হৈছে । অপাৰেচন ব্লেকবোৰ্ড আঁচনিৰ অধীনত চৰকাৰে ৯.৬০ কোটি টকা ব্যয়ৰে ৮০০ টা স্কুল ঘৰ নিৰ্মাণ কৰি থকা হৈছে । তদুপৰি শস্যৰোপণ আঁচনিৰ জৰিয়তে

ৰসাল ফল, কল, পিয়াঁজ, কুঁহিয়াৰ আদি উৎপাদনত গুৰুত্ব দিয়া হৈছে আৰু জিলা গ্ৰাম্য উন্নয়ন সংস্থাক প্ৰতিখন জিলাত কমেও এটাকৈ শীতল পণ্যাগাৰ স্থাপন কৰিবলৈ নিৰ্দ্দেশ দিছে । ইয়াৰ দ্বাৰা ৰাজ্যৰ এক বহুদিনীয়া অতি প্ৰয়োজনীয় বুনিয়াদী আন্তঃগাঠনিৰ অভাৱ দূৰ হ'ব । পতিত মাটিৰ উন্নয়নৰ বাবে সৰ্বমুঠ ৩০ কোটি টকাৰ এটা প্ৰকল্প ভাৰত চৰকাৰৰ ওচৰত দাখিল কৰা হৈছে । ভাৰত চৰকাৰৰ অনুমোদন সোনকালে আশা কৰা হৈছে ।

২১। গ্ৰাম্য উন্নয়ন আঁচনি কাৰ্য্যক্ষম, খৰতকীয়া আৰু গতিশীল কৰাৰ নিমিত্তে আৰু বিভিন্ন উন্নয়ন খণ্ডত কৰা কাম-কাজ সম্বন্ধে গাওঁবাসীক তথ্যৰ যোগান ধৰিব পৰাকৈ, প্ৰতিটো খণ্ড উন্নয়ন কাৰ্য্যালয়ে তেওঁলোকে কৰা বিভিন্ন কাম-কাজ, অনুমোদিত পুঁজি আৰু প্ৰতিটো কামৰ অগ্ৰগতি সম্পৰ্কে এক মাহেকীয়া পুস্তিকা প্ৰকাশ কৰাৰ বাবে নিৰ্দ্দেশ দিয়া হৈছে । এই সুযোগতে মই সদনৰ মাননীয় সদস্যসকলৰ সহযোগিতা কামনা কৰিছো যাতে আঁচনি সমূহৰ ৰূপায়ণ আৰু পুজিৰ উপযুক্ত ব্যৱহাৰ হোৱাকৈ তেখেতসকলে তেখেতসকলৰ অধীনস্থ উন্নয়ন খণ্ড সমূহ সাধ্যানুসাৰে চোৱা-চিতা কৰে ।

**শিক্ষা ঃ**

২২। শিক্ষা হৈছে মানুহক উন্নতিৰ জখলাত আগবঢ়াই নিয়াৰ প্ৰধান আহিলা আৰু সেয়ে চৰকাৰে এই শিতানত অধিক গুৰুত্ব দি আহিছে । যোৱা তিনিটা বছৰত শিক্ষাৰ মানদণ্ড উন্নত কৰা আৰু বৰ্ত্তমানে থকা সা-সুবিধা সমূহৰ উন্নতি কৰিবলৈ চেষ্টা কৰা হৈছে । বৰ্ত্তমান শিক্ষানুষ্ঠান সমূহৰ ব্যাৱহাৰৰ উন্নতিৰ বাবে কিছুমান নিৰ্দ্দিষ্ট বিদ্যালয় একত্ৰীকৰন কৰাৰ কথা ভবা হৈছে । ভৱিষ্যতে অঞ্চল বিশেষৰ প্ৰকৃত আৱশ্যকৰনৰ ওপৰত ভিত্তি কৰিহে বিদ্যালয় সমূহৰ প্ৰাদেশীকৰন কৰা হ'ব । বৰ্ত্তমান মাধ্যমিক বিদ্যালয় সমূহৰ কাৰণে ৫৭,৩১২ টা শিক্ষক পদ আৰু কৰ্ম্মচাৰীৰ পদ আছে । প্ৰাথমিক বিদ্যালয় সমূহত শিক্ষক আৰু কৰ্মচাৰীৰ মুঠ ১,৬৪,৪১২ টা পদ আছে । বিদ্যালয় সমূহৰ শিক্ষক আৰু কৰ্ম্মচাৰী সকলে সময়মতে দৰমহা নোপোৱা কথাটোত চৰকাৰ ব্যগ্ৰ । পৰিকল্পনা শিতানত যথোপযুক্ত পুঁজিৰ ব্যৱস্থা নকৰাকৈ ১৯৯১-৯২ চনৰ পৰা ১৯৯৫-৯৬ চনৰ ভিতৰত প্ৰায় ৪০,০০০ পদৰ সৃষ্টিৰ কাৰণেই মূলতঃ বৰ্ত্তমান শিক্ষক সকলক দৰমহা দিব নোৱাৰা অৱস্থাৰ উদ্ভৱ হৈছে । চলিত বিত্তীয় বৰ্ষত চৰকাৰে ২৯,০০০ শিক্ষকৰ পদ পৰিকল্পনা শিতানৰ পৰা পৰিকল্পনা বহিৰ্ভূত শিতানলৈ বদলি কৰিছে আৰু ১৭০ কোটি টকা দৰমহাৰ বাবে অতিৰিক্ত পুঁজি আৱন্টন দিছে ।

২৩। মাননীয় অধ্যক্ষ মহোদয়, শিক্ষক সকলে দৰমহা নোপোৱা বিষয়টো মই ভালকৈ চালি-জাৰি চাইছো । মই এইটো লক্ষ্য কৰিছো যে পদ অনুসৰি শিক্ষকৰ নাম দিব নোৱাৰাৰ কাৰণে বছৰেকীয়া নবীকৰণ নোপোৱা শিক্ষক সকলৰ বাহিৰে পৰিকল্পনা বহির্ভূত শিতানৰ (Non-plan) শিক্ষক সকলক দৰমহা দিয়াত কোনো অসুবিধা হোৱা নাই । ৰাজ্য চৰকাৰে পৰিকল্পনা শিতানত যথেষ্ঠ পৰিমাণে অতিৰিক্ত পুঁজিৰ আৱন্টনৰ ব্যৱস্থা কৰিছে । কিন্তু এই ক্ষেত্ৰত যথেষ্ট পৰিমাণে বহুদিনীয়া বকেয়া বৈ যোৱাত প্ৰয়োজনীয় সম্পূৰ্ণ দৰমহা আদায় দিব পৰাটো সম্ভৱ হৈ উঠা নাই । তাৰোপৰি পুঁজি আৱন্টন কৰা হৈছে প্ৰাক্‌সংশোধিত (Pre-revised) দৰমহাৰ নিৰিখত, কিন্তু শিক্ষক সকলে ১-৮-৯৮ তাৰিখৰ পৰা সংশোধিত হাৰত দৰমহা লৈ আছে । ফলস্বৰূপে, গোটেই বছৰটোৰ বাবে পুঁজি যথোপযুক্ত হোৱা নাই । পৰিকল্পনাৰ শিতানত সীমিত পুঁজিৰ ব্যৱস্থা থকা হেতুকে অতিৰিক্ত পুঁজিৰ আৱন্টন দিব পৰা নাই । আগন্তুক বছৰটোৰ পৰা শিক্ষক সকলৰ দৰমহা নিয়মিত কৰাৰ বাবে চৰকাৰে সৰ্বতোপ্ৰকাৰৰ চেষ্টা হাতত ল'ব । শিক্ষা বিভাগৰ অধীনৰ শিক্ষক আৰু অন্যান্য কৰ্মচাৰী সকলৰ দৰমহা দিয়াৰ বাবে ১৯৯৭-৯৮ চনৰ ৬৯৪ কোটি আৰু ১৯৯৮-৯৯ চনৰ ৯৫৪ কোটি টকাৰ বিপৰীতে ১৯৯৯-২০০০ চনত বাজেটত ১৩৯৩ কোটি টকা ধাৰ্য্য কৰা হৈছে । অৱেশ্যে পৰিকল্পনা শিতানৰ বাজেটত চলিত বছৰৰ ২৮১ কোটি টকাৰ পুঁজিকে অহা বছৰৰ বাবে ৰখা হৈছে । তাৰোপৰি, আমাৰ অবিৰত প্ৰচেষ্টাৰ হেতুকে মহাগাননিকে প্ৰাদেশীকৃত বিদ্যালয়ৰ শিক্ষক আৰু কৰ্মচাৰী সকলৰ ভৱিষ্য নিধিৰ হিচাপ ১-৪-২০০০ চনৰ পৰা কাৰ্য্যকৰী হোৱাকৈ ৰখাৰ বাবে সম্মতি প্ৰকাশ কৰিছে । শিক্ষক আৰু বিদ্যালয় সমূহৰ অন্যান্য কৰ্মচাৰীৰ কল্যাণৰ বাবে এইটো এটা পদক্ষেপ হ'ব ।

২৪। চলিত বছৰত ১১ খন মহাবিদ্যালয় ঘাটি মঞ্জুৰীৰ অধীনলৈ অনাৰ উপৰিও ৮ খন ঘাটি মঞ্জুৰী প্ৰাপ্ত মহাবিদ্যালয়ৰ ৮ টা শাখাক ঘাটি মঞ্জুৰীৰ অন্তৰ্ভূক্তি কৰা হৈছে । ৰাজ্য চৰকাৰে বিশ্ববিদ্যালয় আৰু মহাবিদ্যালয় সমূহৰ শিক্ষক সকলক সংশোধিত হাৰৰ UGC/AICTE নিৰিখত দৰমহা দিবলৈ নীতিগতভাৱে স্থিৰ কৰিছে । চৰকাৰে গুৱাহাটী বিশ্ববিদ্যালয় আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ কাৰণে চলিত বছৰৰ পৰা যথাক্ৰমে ৩.০০ কোটি টকা আৰু ১.৫০ কোটি টকাকৈ অতিৰিক্ত মঞ্জুৰী আগ বঢ়াইছে । এই অনুক্ৰমে, অসম কৃষি বিশ্ববিদ্যালয়ৰ পৰিকল্পনা বহির্ভূত (Non-plan) মঞ্জুৰী ১৯৯৯-২০০০ চনৰ পৰা ১.২৯ কোটি টকা বৃদ্ধি কৰা হৈছে । চলিত বছৰত বিশ্ববেংক সাহায্য কাৰিকৰী প্ৰকল্পৰ বাবে ১৫ কোটি টকা ব্যয় কৰা হৈছে আৰু ১৯৯৯-২০০০ চনৰ বাবে ১৬.৭ কোটি টকাৰ পুঁজি ব্যৱস্থা কৰা হৈছে । চলিত বৰ্ষত দশম বিত্তীয় আয়োগৰ অনুদানৰ ভিত্তিত ৬০৭ খন নিম্ন

বুনিয়াদী, ৩৬০ খন মজলীয়া বিদ্যালয়ত খোৱা পানীৰ ব্যৱস্থা আৰু ৭৮০ খন মজলীয়া বিদ্যালয়লৈ শৌচাগাৰৰ সুবিধা প্ৰাদান কৰা হৈছে ।

**ক্ৰীড়া আৰু যুৱ কল্যাণ ঃ**

২৫। অসমৰ যুৱক-যুৱতী সকলক সৰ্ব্ব ভাৰতীয় ক্ষেত্ৰত প্ৰতিযোগিতা কৰাৰ কাৰণে উপযোগী কৰিবলৈ খেলৰ আন্তঃগাঠনিৰ নিৰ্মাণত চৰকাৰে বিশেষ দৃষ্টি দিছে । ১৯৯৯-২০০০ চনৰ বাজেটত ইয়াৰ বাবে ১৪.০৬ কোটি টকাৰ ব্যৱস্থা কৰা হৈছে ।

**স্বাস্থ্য আৰু পৰিয়াল কল্যাণ ঃ**

২৬। ২০০০ চনত সকলোৰে বাবে স্বাস্থ্য, এই লক্ষ্যত উপনীত হবলৈ প্ৰয়োজন হব পৰা পুঁজিৰ ব্যৱস্থা চৰকাৰে কৰিছে । ৰাজ্যখনৰ স্বাস্থ্যখণ্ডত নুন্যতম প্ৰয়োজনীয় সেৱাৰ উন্নয়নৰ বাবে বহিঃ সাহায্যৰ প্ৰকল্পৰ 'অসম অঞ্চল প্ৰকল্প IPP-IX' নামৰ ১০১ কোটি টকাৰ আঁচনিখনৰ ৰূপায়ণৰ কাম সন্তোষজনক ভাবে আগবাঢ়িছে । যোৱা তিনি বছৰত এই প্ৰকল্পৰ অধীনত উপকেন্দ্ৰ স্থাপন, পৰিচায়িকা প্ৰশিক্ষণ প্ৰতিষ্ঠান নিৰ্মাণ আৰু ৰাজ্যিক ঔষধালয় সমূহৰ উন্নয়নৰ বাবে ৩৩.৮৪ কোটি টকা ব্যয় কৰা হৈছে । ৰাজ্যখনৰ বিভিন্ন চিকিৎসালয়ত ৰোগ নিৰ্ণায়ক যন্ত্ৰপাতি আৰু ৰোগীৰ যত্নৰ সা-সুবিধা সমূহৰ ব্যৱস্থাৰ ক্ষেত্ৰত আৰু ১১.৪ কোটি টকা ব্যয় কৰা হৈছে । গ্ৰাম্যাঞ্চলত থকা প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ সমূহলৈ ১৩৫ খন গাড়ী কিনিবলৈ ৪.৮৫ কোটি টকা ব্যয় কৰা হৈছে, যাতে দুৰণিবতীয়া আৰু দুৰ্গম অঞ্চল সমূহত স্বাস্থ্য সেৱাৰ সুবিধা সমূহ আগবঢ়াব পাৰি । চলিত বছৰত উক্ত প্ৰকল্পৰ ব্যয় প্ৰায় ২৫ কোটি টকা হব । এই প্ৰকল্পৰ ১০ শতাংশ অংশ হিচাবে অসম চৰকাৰে ২.৭৭ কোটি টকাৰ অৰিহনা যোগাইছে ।

২৭। ৰোগ নিৰ্ণায়ক ব্যৱস্থা উন্নতকৰণৰ বাবে গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ হস্পিতালত এটা চি,টি, স্কেন (C.T. SCAN) যন্ত্ৰ প্ৰতিষ্ঠা কৰা হৈছে আৰু ই সন্তোষজনক ভাবে কাম কৰি আছে । এনে এটা চি,টি, স্কেন যন্ত্ৰ এই বছৰতে ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয়ৰ হস্পিতালত প্ৰতিষ্ঠা কৰা হব । অহা বিত্তীয় বছৰত শিলচৰ চিকিৎসা মহাবিদ্যালয়ৰ হস্পিতালৰ বাবে একে ধৰণৰ এটা যন্ত্ৰ ক্ৰয় কৰা হব । অন্যান্য উচ্চ শিক্ষানুষ্ঠানৰ লগত সামন্জস্য ৰখাৰ উদ্দেশ্যে সৰ্বভাৰতীয় শিক্ষা পৰিষদৰ দৰমহা অনুযায়ী অসমৰ তিনিখন চিকিৎসা মহাবিদ্যালয়ৰ শিক্ষক সকলক ১-১-৯৬ তাৰিখৰ পৰা কাৰ্য্যকৰী হোৱাকৈ সমপৰিমাণৰ দৰমহা দিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। ৫৬৬ কোটি টকা

ব্যয়ৰ 'অসম চিকিৎসা পদ্ধতি উন্নয়ন প্ৰকল্পৰ' কাৰণে বিশ্ব বেংকৰ পৰা সাহায্য পোৱাৰ উদ্দেশ্যে ভাৰত চৰকাৰৰ ওচৰত আঁচনি দাখিল কৰা হৈছে।

**খোৱা পানী আৰু পৰিস্কাৰ পৰিচ্ছন্নতা ঃ**

২৮। ১৯৯৮-৯৯ চনত বিশুদ্ধ খোৱা পানীৰ ব্যৱস্থা নথকা বাসস্থান অঞ্চলৰ ২৫০০ বাসস্থান অঞ্চলত বিশুদ্ধ খোৱা পানী যোগানৰ ব্যৱস্থা কৰা হৈছে। ইয়াৰোপৰি ১৯৯৪ চনতে বিশুদ্ধ খোৱা পানী নথকা অঞ্চল বুলি চিনাক্ত ১৩,৬৬০ বাসস্থান অঞ্চলৰ ভিতৰত ৫৯৩৭ টা বাসস্থান অঞ্চলত খোৱা পানীৰ ব্যৱস্থা কৰা হৈছে। ১৯৯৭-৯৮ চনলৈকে গ্ৰাম্য অপৰিস্কাৰ খণ্ডত ৮৯৮০ টা চেনিটেৰী পায়খানা স্থাপন কৰা হৈছে আৰু চলিত বছৰত তেনেকুৱা ৪৫০০ টা চেনিটেৰী পায়খানা স্থাপনৰ কাম চলি আছে। ১৯৯৮-৯৯ বছৰটোত এই খণ্ড দুটাৰ বাবে সৰ্বমুঠ ৬৪.৮৭ কোটি টকাৰ পুঁজিৰ ব্যৱস্থা কৰা হৈছিল। ইয়াৰোপৰি খৰতকীয়া গ্ৰাম্য জলসিঞ্চন আঁচনিৰ অধীনত সৰ্বমুঠ ৩০ কোটি টকা মোকলাই দিয়া হৈছে।

**বান নিয়ন্ত্ৰণ ঃ**

২৯। বানৰ দ্বাৰা সা-সম্পত্তি আৰু জনজীৱন বিপৰ্য্যস্ত হোৱা আৰু ব্যাপক বান নিয়ন্ত্ৰণ ব্যৱস্থাৰ প্ৰয়োজনীয়তাৰ কথা এই পবিত্ৰ সদনত আগতে বহুবাৰ উল্লেখ কৰা হৈছে। পুঁজিৰ নাটনি স্বত্বেও ৰাজ্য চৰকাৰে হাতত থকা পুঁজিৰেই বান নিয়ন্ত্ৰন ব্যৱস্থাৰ বাবে অগ্ৰাধিকাৰ দি আহিছে। প্ৰধান মন্ত্ৰীৰ পেকেজ আঁচনিৰ অধীনত নৱম পৰিকল্পনাৰ কালছোৱাত বিভিন্ন বান নিয়ন্ত্ৰন ব্যৱস্থা অৰ্ন্তভুক্ত কৰি আৰু ইয়াক ৰূপায়ণৰ কাৰণে ৫০০ কোটি টকাৰ এখন ব্যাপক আঁচনি প্ৰস্তুত কৰিছে। বিভিন্ন বান নিয়ন্ত্ৰণ কাম কাজৰ বাবে চলিত বছৰত পৰিকল্পনা বৰ্হিভূত শিতানৰ পৰা ৭.৮ কোটি টকা মুকলি কৰি দিয়া হৈছে। ব্ৰহ্মপুত্ৰ বান নিয়ন্ত্ৰন ব্যৱস্থাৰ বাবে ভাৰত চৰকাৰৰ পৰা ১৮ কোটি টকা কেন্দ্ৰীয় বান সাহায্য হিচাবে পোৱা হৈছে। চৰকাৰে উত্তৰ পূৰ্ব পৰিষদৰ আঁচনিৰ অধীনত ৫.১০ কোটি টকাৰ বাননিয়ন্ত্ৰণ আঁচনি ৰূপায়ণ কৰি আছে। ৰাজ্যখনৰ বানপানী সমস্যাৰ এক দীৰ্ঘম্যাদী সমাধান কৰাৰ কৰণে আমাৰ প্ৰচেষ্টা অব্যাহত থাকিব।

**পথ আৰু দলং ঃ**

৩০। মাননীয় অধ্যক্ষ মহোদয়, যোৱা বাজেট ভাষণত মই এই কথা উল্লেখ কৰিছিলো যে, উত্তৰ গুৱাহাটী বৰপেটা-হাউলী পথ, ধোদৰ আলি, চন্দ্ৰপুৰ-কাজলি মুখ-লাহৰিঘাট পথত পকী দলং নিৰ্মাণৰ বাবে আৰ, আই,ডি, এফ II (RIDF II) আৰু আৰ,

আই,ডি, এফ III (RIDF III) ৰ অধীনত নাবাৰ্ডৰ (NABARD)পৰা ঋণ লোৱাৰ কথা উল্লেখ কৰিছিলো । সদনক জনাবলৈ পাই সুখী হৈছো যে, ইয়াৰে ২৫ খন দলঙৰ কাম অহা ৩১ মাৰ্চৰ ভিতৰত সম্পূৰ্ণ হ'ব । চলিত বছৰত নাবাৰ্ডৰ পৰা এই ক্ষেত্ৰত পোৱা ঋণৰ পৰিমাণ হ'ল ৩৬.৭৮ কোটি টকা । ৰাজ্য খনৰ গ্ৰামাঞ্চলৰ পথত ৭২ খন পকী দলঙ নিৰ্মানৰ কাৰণে আৰ, আই,ডি, এফ IV(RIDF IV) ৰ অধীনত ১৩২ কোটি টকাৰ ঋণ লোৱাৰ প্ৰস্তাৱ ৰাজ্য চৰকাৰে দাখিল কৰিছে । চলিত বছৰত এ, আৰ, আই এ, এছ, পি (ARIASP) প্ৰকল্পৰ অধীনত ৭৫ খন দলঙ আৰু ১৯৭ কিলোমিটাৰ পথ নিৰ্মাণৰ কাম হাতত লোৱা হৈছিল আৰু ইয়াৰ ভিতৰত ২০ খন দলং নিৰ্মাণৰ কাম ইতিমধ্যে সম্পূৰ্ণ হৈছে ।

৩১। চলিত বছৰত গ্ৰামাঞ্চলৰ পথ নিৰ্মানৰ বাবে এ, আৰ, আই এ, এছ, পি (ARIASP) অধীনত ২০.৯ কেটি টকা মুকলি কৰি দিয়া হৈছে । এ, আৰ, আই এ, এছ, পি ৰ অধীনত গ্ৰামাঞ্চলৰ পথ নিৰ্মাণৰ বাবে আৱন্টন দিয়া মুঠ ২৭৩.৫০ কোটি টকাৰ ভিতৰত ২৫.৭২ কোটি টকা ব্যয় কৰা হৈছে । ১৯৯৯-২০০০ চনৰ বাজেটত এই শিতানত ৪১.৮০ কোটি টকাৰ পুঁজি ব্যৱস্থা কৰা হৈছে ।

৩২। ইয়াৰোপৰি ১৯৯৮-৯৯ চনৰ বাৰ্ষিক পৰিকল্পনাৰ অধীনত পথ নিৰ্মানৰ কাৰণে ৯১.৮১ কোটি টকাৰ পুঁজি ধাৰ্য্য কৰা হৈছিল । অসমৰ ৰাষ্ট্ৰীয় ঘাই পথৰ নিৰ্মাণ, মেৰামতি আৰু ৰক্ষনা-বেক্ষনৰ বাবে ১৯৯৫-৯৬ চনৰ ১৪ কোটি, ১৯৯৬-৯৭ চনৰ ২৩ কোটি, ১৯৯৭-৯৮ চনৰ ৩২ কোটি টকাৰ বিপৰীতে চলিত বছৰত ৫১ কোটি টকা মুকলি কৰি দিয়া হৈছে ।

৩৩। উত্তৰ-পূৱ পৰিষদৰ আঁচনিৰ অধীনত চলিত বছৰত ১৪.৩১ কোটি টকা মুকলি কৰি দিয়া হৈছে । ভাৰত বাংলাদেশ সীমান্তত ধুবুৰী আৰু মানকাচাৰ আৰু কাছাৰ, কৰিমগঞ্জ খণ্ডত অসম চুক্তিৰ অধীনত নিৰ্মাণ কৰিবলগীয়া ১৫২ কিলোমিটাৰ কাঁটা তাঁৰৰ বেৰাৰ ভিতৰত ১৩১ কিলোমিটাৰ, ১১২ খন দলঙৰ ভিতৰত ৫০ খন আৰু ১৫৩ কিলোমিটাৰ পথৰ ভিতৰত ১০৩ কিলোমিটাৰৰ পথ নিৰ্মাণৰ কাম সম্পূৰ্ণ হৈছে । ২০০০ চনৰ ডিচেম্বৰ মাহৰ ভিতৰত সকলো কাম সম্পূৰ্ণ কৰি তোলাৰ প্ৰস্তাৱ লোৱা হৈছে । চলিত বছৰত আন্তঃ ৰাজ্যিক সীমা আৰু ভাৰত বাংলাদেশ সীমান্ত অঞ্চলত বিভিন্ন উন্নয়ন মূলক আচঁনি ৰূপায়ন কৰাৰ কাৰণে ৯.৯৬ কোটি টকা মোকলাই দিছে ।

**উদ্যোগ ঃ**

৩৪। উদ্যোগ খণ্ডত উদ্যোগিক আন্তঃগাঠনিৰ উত্তাৰনৰ ওপৰত অগ্ৰাধিকাৰ দিয়া হৈছে । বালিপাৰা আৰু মাটিয়াত উদ্যোগ উন্নয়ন কেন্দ্ৰ নিৰ্মাণৰ কাম চলি আছে । আমিন গাওত নিৰ্মান হৈ থকা ৰপ্তানি মুখী উদ্যোগীক নিগমৰ কাম অহা বছৰত শেষ হব বুলি আশা কৰা হৈছে । যি কি নঁহওক, যথোপযুক্ত সা-সুবিধাৰ সৃষ্টি কৰি যথেষ্ট সংখ্যক উদ্যোগীক স্থান উদ্যোগী সকলৰ মাজত আৱন্টন দিবলৈ সাজু কৰা হৈছে । এই বছৰ উদ্যোগিক নীতিৰ অধীনত ক্ষুদ্ৰ উদ্যোগ খণ্ডৰ বৃহৎ পৰিমানৰ উদগনি মূলক সাহাৰ্য্যৰ বকেয়া পৰিশোধ কৰিব পৰাকৈ ১৪.৯০ কোটি টকাৰ ব্যৱস্থা কৰা হৈছে । ১৯৯৯-২০০০ চনৰ বাজেটত কেন্দ্ৰীয় চৰকাৰে উত্তৰ-পূৰ্বাঞ্চলত উদ্যোগ স্থাপনৰ বাবে ঘোষণা কৰা উদাৰ নীতিয়ে অহা কেইটামান বছৰত ৰাজ্য খনত লেখত লবলগীয়া ব্যক্তিগত বিনিয়োগক আকৰ্ষিত কৰিব বুলি আশা কৰা হৈছে । মাননীয় সদস্যসকলক জনাবলৈ পাই সুখী হৈছো যে, নুমুলীগড় শোধনাগাৰত এইমাহৰ শেষৰ সপ্তাহত পৰীক্ষামূলক উৎপাদন আৰম্ভ হ'ব আৰু ই ১৯৯৯ চনৰ জুনৰ ভিতৰত কাৰ্য্যকৰী হৈ উঠিব । এই কোম্পানীত ৰাজ্য চৰকাৰৰ ১০ শতাংশ সম অংশ (Equity) আছে ।

**হস্ত তাঁত আৰু বস্ত্ৰ শিল্প ঃ**

৩৫। হস্ত তাঁত আৰু বস্ত্ৰ শিল্প বিভাগে অধিক সংখ্যক শিপিনীক বানিজ্যিক পৰিসৰলৈ আনিবলৈ 'প্ৰকল্প পেকেজ' আঁচনি আৰু সংহত শিপিনী, গ্ৰাম্য উন্নয়ন আঁচনি দুখন ৰূপায়িত কৰি আছে । বিগত বছৰটোত উক্ত আচঁনি দুখনৰ ৰূপায়ণৰ বাবে ১১.৪৪ কোটি টকা মুকলি কৰি দিয়া হৈছে । ইয়াৰোপৰি ৰাজ্য চৰকাৰে শিপিনী সকলৰ কল্যাণ সাধনৰ উদ্দেশ্যে স্বাস্থ্য পেকেজ আৰু বীমা আঁচনিও হাতত লৈছে । আৰ্টফেডে ১৯৯৯ চনৰ জানুৱাৰী মাহত জাৰ্মানীৰ ফ্ৰেঙ্কফুৰ্টত অনুষ্ঠিত হস্ত তাঁত আৰু বস্ত্ৰ শিল্পৰ মেলাত ভাগ লৈ বিদেশী ক্ৰেতাৰ পৰা বস্তু যোগানৰ ফৰমাচ পাইছে । ই ৰাজ্যখনৰ বস্ত্ৰ উৎপাদনৰ কাৰণে উৎসাহ যোগাব ।

**ৰেচম ঃ**

৩৬। অসমৰ থলুৱা আৰু পৰম্পৰাগত এড়ি আৰু মুগাৰ উৎপাদন বৃদ্ধি কৰিবলৈ ৰেচম খণ্ডত বিশেষ গুৰুত্ব দিয়া হৈছে । এই উদ্দেশ্যে উত্তৰ পূৱ পৰিষদৰ সাহায্যত ৩.৩৬ কোটি টকা ব্যয় সাপেক্ষে এখন বিশেষ আঁচনি ৰূপায়ণ কৰি থকা হৈছে ।

**শক্তি ঃ**

৩৭। শক্তিৰ বৰ্দ্ধিত চাহিদা পূৰণ কৰিবলৈ চৰকাৰে অসম ৰাজ্যিক বিদ্যুৎ পৰিষদৰ অধীনত বৰ্ত্তমানৰ শক্তি কেন্দ্ৰ সমূহৰ নবীকৰণ, আধুনিকীকৰণ, পুনৰুজ্জীৱিতকৰণ তথা পুনৰ সংস্থাপনৰ ওপৰত অগ্ৰাধিকাৰ দিছে। বঙাইগাওঁ থাৰ্মেল শক্তিকেন্দ্ৰৰ (B.T.P.S.) বাদে বাকী শক্তি উৎপাদন কেন্দ্ৰসমূহৰ নবীকৰণ তথা আধুনিকীকৰণ কাৰ্য্যৰ বাবে পাৱাৰ ফাইনেঞ্চ কৰপোৰেচন্ এ (PFC) ৮৭.৯৩ কোটি টকীয়া ঋণৰ অনুমোদন জনাইছে। বঙাইগাৱত থকা শক্তি কেন্দ্ৰটোৰ পুনৰ সংস্থাপনৰ কাৰণে আমেৰিকা যুক্তৰাষ্ট্ৰৰ OGDEN কোম্পানীৰ লগত Lease, Rehabilitate Operate and Transfer চুক্তিৰ বিষয়ে গুনাগঠা কৰি থকা হৈছে। উৎপাদন, পৰিবহন, আৰু বিতৰণৰ মূল্য বৃদ্ধিৰ জোৰা মাৰিবলৈ ১-৯-৯৮ তাৰিখৰ পৰা কাৰ্য্যকৰী হোৱাকৈ বিদ্যুৎৰ মাচুল বৃদ্ধি কৰা হৈছে। ৰাজ্যখনৰ শক্তিখণ্ডৰ পূণৰ গঠন সম্পৰ্কে অধ্যয়নৰ ব্যৱস্থা কৰি থকা হৈছে।

**পৰিবহন আৰু পৰ্য্যটন ঃ**

৩৮। আভ্যন্তৰীণ জল পৰিবহন বিভাগৰ অধীনৰ সম্পদ সমূহৰ সদ্ব্যৱহাৰ কৰা আৰু পৰিবহন খণ্ডৰ পৰা অধিক ৰাজহ সংগ্ৰহ কৰাৰ ওপৰত চৰকাৰে মনোনিবেশ কৰিছে। এই বছৰ চৰকাৰে ৰাজ্যিক পৰিবহন নিগমক ৭.৫ কোটি টকা পৰিপূৰক মঞ্জুৰী দিছে। পৰ্য্যটনৰ ক্ষেত্ৰত ৰাজ্যৰ পৰ্য্যটন স্থান সমূহৰ আন্তঃগাঠনিৰ উন্নয়নৰ ওপৰত গুৰুত্ব দিয়া হৈছে। চৰকাৰে অধিক পৰ্য্যটক আকৰ্ষণ কৰাৰ কাৰণে সৰ্ব ভাৰতীয় আৰু আন্তৰ্জাতিক পৰ্য্যটন মেলা সমূহত যোগদান কৰিছে।

**নগৰ উন্নয়ন ঃ**

৩৯। গুৱাহাটী মহানগৰীৰ খোৱা পানীৰ সমস্যাৰ প্ৰতি লক্ষ্যৰাখি গুৱাহাটী পৌৰ নিগমে গৃহনিৰ্মাণ আৰু নগৰ উন্নয়ন নিগমৰ (HUDCO) পৰা ১৫৫ কোটি টকা সাহায্যৰে ২৩৯ কোটি টকাৰ ব্যয় সাপেক্ষে এটা নতুন পানী যোগান আঁচনি ৰূপায়ণৰ বাবে সিদ্ধান্ত কৰিছে। প্ৰয়োজনীয় বাকী ৮৪ কোটি টকা ৰাজ্য চৰকাৰ আৰু গুৱাহাটী পৌৰ নিগমে বহন কৰিব। ৰাজ্য চৰকাৰে গৃহনিৰ্মাণ আৰু নগৰ উন্নয়ন নিগমৰ (HUDCO) পৰা লবলগীয়া এই ঋণৰ বাবে প্ৰয়োজনীয় প্ৰত্যাভূতি দিব। ৰাজ্য চৰকাৰে HUDCO ৰ পৰা ঋণ লৈ ৯৫.৮০ কোটি টকা ব্যয়ৰে গুৱাহাটী মেট্ৰোপলিটান অঞ্চল ক্ষীপ্ৰ নিৰ্গম আঁচনি আৰু ৪৬.৩৮ কোটি টকা ব্যয়ৰে গনেশগুৰি চাৰি আলি আৰু উলুবাৰী চাৰি আলিত দুখন

ফ্লাই অভাৰ নিৰ্মাণ আচঁনি লৈছে । অসম নগৰ পানী যোগান আৰু মল নিস্কাষণ পৰিষদে বঙ্গাই গাওঁ, মঙ্গলদৈ, শিৱসাগৰ আৰু নগাঁওত চাৰিখন নতুন পানী যোগান আচঁনি কাৰ্য্যকৰী কৰিব ।আগন্তুক বছৰটোত পৰিষদে বিলাসীপাৰা, সৰ্থেবাৰী, পলাশবাৰী, নাজিৰা, নামৰূপ আৰু সোণাৰিৰ বাবেও নতুন আঁচনিৰ কাম হাতত ল'ব ।

৪০। ১৯৯৮-৯৯ বছৰটোত ৰাজ্যখনৰ নগৰাঞ্চলৰ উন্নয়নৰ কাম-কাজৰ বাবে ৮.৭৪ কোটি টকাৰ আৱন্টন দিয়া হৈছিল । ১৯৯৯-২০০০ চনৰ পৰা স্বৰ্ণজয়ন্তী সহৰি ৰোজগাৰ যোজনাৰ ৰূপায়ণৰ কাম পূৰ্ণগতিত আৰম্ভ কৰা হব । ১৯৯৯-২০০০ চনত অৰ্থনৈতিক ভাৱে দুৰ্ব্বল শ্ৰেণীৰ লোকৰ আশ্ৰয়ৰ বাবে বাজেটত ধাৰ্য্য কৰা ২.৯৪ কোটি টকা ব্যয়ৰে অসমৰ ৰাজ্যিক গৃহ নিৰ্ম্মাণ পৰিষদে ১২০০ টা কম মূল্যৰ বাসগৃহ নিৰ্ম্মাণৰ বাবে সিদ্ধান্ত লৈছে ।

**পাৰ্ব্বত্য অঞ্চল ঃ**

৪১। মাননীয় সদস্য সকলে জানে যে বুজাবুজি চুক্তি (MOU) অনুসৰি পাৰ্ব্বত্য জিলা দুখনৰ অন্তৰ্গত স্বায়ত্ব শাসিত পৰিষদৰ বাজেট প্ৰথমে পৰিষদে অনুমোদন জনাই আৰু তাৰ পিছতহে ৰাজ্যিক বাজেটত অন্তৰ্ভূক্ত কৰা হয় । ৰাজ্যখনৰ জটিল বিত্তীয় পৰিস্থিতিৰ হেতুকে পৰিষদে অনুমোদন জনোৱা সম্পূৰ্ণ পুঁজি ৰাজ্যিক বাজেটত অন্তৰ্ভূক্ত কৰিব পৰা হোৱা নাই । যি কি নহওক, পৰিকল্পনা বহিৰ্ভূত (Non-Plan) শিতানত দৰমহাৰ বাবদ প্ৰয়োজনীয় পুঁজিৰ সম্পূৰ্ণ ব্যৱস্থা বাজেটত কৰা হৈছে । পৰিকল্পনাৰ ধন আৱন্টনৰ ক্ষেত্ৰত ১৯৯৮-৯৯ চনত বাৰ্ষিক পৰিকল্পনাৰ ভিত্তিত অসম চৰকাৰে প্ৰস্তাৱ কৰা বিভাগীয় আৱন্টন অনুযায়ী ব্যৱস্থা কৰা হৈছে । ১৯৯৯-২০০০ চনৰ পৰিকল্পনাৰ বাবে বিভাগীয় আৱন্টন চূড়ান্তকৰণৰ পিছত পাৰ্বত্য অঞ্চলৰ কাৰণে অতিৰিক্ত পুঁজি আৱন্টন হ'লে তেনে পুঁজি পৰিপূৰক দাবী মঞ্জুৰীৰ জৰিয়তে ব্যৱস্থা কৰা হ'ব । পাৰ্ব্বত্য অঞ্চলৰ বাবে বাজেটত পৰিকল্পনাৰ শিতানত ১৪৭.৭৫ কোটি টকা ধৰা হৈছে । ইয়াৰে ১০২.৩৯ কোটি টকা কাৰ্বি আংলং স্বায়ত্ব শাসিত পৰিষদৰ বাবে আৰু ৪৫.৩৬ কোটি টকা উত্তৰ কাছাৰ পাহাৰ স্বায়ত্ব শাসিত পৰিষদৰ বাবে । ইয়াৰোপৰি কেন্দ্ৰই পৃষ্ঠপোষকতা কৰা আঁচনি আৰু কেন্দ্ৰীয় খণ্ডৰ আঁচনি ৰূপায়ণৰ অৰ্থে ১০.৭২ কোটি টকা কাৰ্বি আংলং স্বায়ত্ব শাসিত পৰিষদৰ বাবে আৰু ৪.৩৬ কোটি টকা উত্তৰ কাছাৰ পাহাৰ স্বায়ত্ব শাসিত পৰিষদৰ বাবে ধৰা হৈছে । ১৯৯৯-২০০০ চনৰ বাবে পৰিকল্পনা বহিৰ্ভূত শিতানত কাৰ্বি আংলং স্বায়ত্ব শাসিত পৰিষদৰ বাবে ৬০.৬১ কোটি টকা আৰু উত্তৰ কাছাৰ পাৰ্বত্য স্বায়ত্ব শাসিত পৰিষদৰ বাবে ৩৮.৮৫ কোটি টকা ধাৰ্য্য কৰা হৈছে । মই জনাবলৈ পাই সুখী হৈছো যে সাধাৰণ

অঞ্চলৰ পৰিকল্পনাৰ পুঁজি ১৬ শতাংশ হ্রাস কৰা হৈছে যদিও পাৰ্ব্বত্য জিলা পৰিষদৰ বাবে আৱন্টিত পুঁজিৰ হ্রাস কৰা হোৱা নাই । ই আমাৰ পাৰ্ব্বত্য জিলা দুখনৰ উন্নয়নৰ প্ৰতি থকা আগ্ৰহৰ কথাকে সুচায় ।

৪২। পাৰ্বত্য জিলাৰ স্বায়ত্ত্ব শাসিত পৰিষদ সমূহৰ ৰাজহ ব্যয় ঘাটি সম্পৰ্কে একাদশ বিত্তীয় আয়োগক সম্পূৰ্ণ অৱগত কৰা হৈছে আৰু এই ঘাটি পূৰাবলৈ প্ৰয়োজনীয় পুঁজিৰ ব্যৱস্থা কৰিবলৈ আয়োগক অনুৰোধ জনোৱা হৈছে ।

**স্বায়ত্ত্ব শাসিত পৰিষদ ঃ**

৪৩। চাৰিখন স্বায়ত্ত্ব শাসিত পৰিষদ, বড়োলেন্ড স্বায়ত্ত্ব শাসিত পৰিষদ (BAC) , মিছিং স্বায়ত্ত্ব শাসিত পৰিষদ (MAC) , ৰাভা-হাচং স্বায়ত্ত্ব শাসিত পৰিষদ (RHAC) আৰু লালুং (টিৱা) স্বায়ত্ত্ব শাসিত পৰিষদ (LTAC) সমূহৰ উন্ময়নমূলক কাম-কাজৰ বাবে ১৯৯৯-২০০০ চনৰ পৰিকল্পনা শিতানত পুঁজি আছুতীয়াকৈ নিৰ্দ্ধাৰণ কৰি দিয়া হৈছে । উক্ত চৰিখন পৰিষদৰ বাবে নিৰ্দ্ধাৰণ কৰা সৰ্বমুঠ ৫৭.৫০ কোটি টকাৰ ভিতৰত ৩৮.১৭ কোটি টকা বড়োলেন্ড স্বায়ত্ত্ব শাসিত পৰিষদৰ (BAC) বাবে, ১০.৭৬ কোটি টকা মিছিং স্বায়ত্ত্ব শাসিত পৰিষদৰ (MAC) বাবে, ৫.৮১ কোটি টকা ৰাভা-হাচং স্বায়ত্ত্ব শাসিত পৰিষদৰ (RHAC) বাবে আৰু ২.৭৬ কোটি টকা লালুং টিৱা স্বায়ত্ত্ব শাসিত পৰিষদৰ (LTAC) বাবে ধাৰ্য্য কৰা হৈছে । পৰিকল্পনা বহিৰ্ভূত শিতানত উক্ত পৰিষদ সমূহৰ সচিবালয়ৰ খৰছ আদিৰ বাবে মুঠ ৬.০০ কোটি টকা ধাৰ্য্য কৰা হৈছে । ইয়াৰে ৩.০০ কোটি টকা বড়োলেন্ড স্বায়ত্ত্ব শাসিত পৰিষদৰ (BAC) বাবে আৰু ৰাভা-হাচং স্বায়ত্ত্ব শাসিত পৰিষদ (RHAC), মিচিং শায়ত্ত্ব শাসিত পৰিষদ (MAC) আৰু লালুং (টিৱা) স্বায়ত্ত্ব শাসিত পৰিষদ (LTAC) প্ৰত্যেকৰ বাবে ১.০০ কোটি টকাকৈ । উক্ত আৱন্টন সমূহ ১৯৯৯-২০০০ চনৰ বাৰ্ষিক পৰিকল্পনাত চূড়ান্ত হোৱাৰ পিছত বৃদ্ধি পোৱাৰ সম্ভৱনা আছে ।

৪৪। ইয়াৰোপৰি বড়োলেণ্ড স্বায়ত্ত্ব শাসিত পৰিষদৰ (BAC) এলেকাত আন্দোলনৰ ফলত ক্ষতিগ্ৰস্ত হোৱা পথ আৰু দলংৰ মেৰামতি আৰু পুনঃ সংস্থাপনৰ কাৰণে বড়োলেণ্ড স্বায়ত্ত্ব শাসিত পৰিষদৰ বাবে ৯.৩৯ কোটি টকা মোকোলাই দিয়াৰ দিহা কৰা হৈছে । পৰিষদ কেইখনৰ প্ৰয়োজনীয় আন্তঃগাঠনি উদ্ভাৱনৰ লগতে ৰাজহ ব্যয়ৰ ঘাটি পূৰ কৰিবলৈ পুঁজিৰ ব্যৱস্থা কৰিবলৈ একাদশ বিত্তীয় আয়োগক অনুৰোধ জনোৱা হৈছে ।

**অনুসূচীত জাতি, অনুসূচীত জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীৰ কল্যাণ ঃ**

৪৫। অনুসূচীত জাতি, অনুসূচীত জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীৰ লগতে চাহ বনুৱা তথা প্ৰাক্তন চাহ বনুৱা সম্প্ৰদায়ৰ লোক সকলৰ সৰ্বাংগীন উন্নতি আৰু কল্যাণক চৰকাৰে অগ্ৰাধিকাৰ দি আহিছে । অনুসূচীত জাতি আৰু অনুসূচীত জনজাতিৰ কল্যাণৰ বাবে ১৯৯৯-২০০০ চনৰ বাৰ্ষিক পৰিকল্পনা আৱন্টনত জনজাতি উপ পৰিকল্পনা শিতানত ১৩৯.৯৩ কোটি টকা আৰু অনুসূচীত জাতি সংযোগী আঁচনিৰ বাবে ৯৩.৫০ কোটি টকা নিৰ্দ্ধাৰণ কৰি দিয়া হৈছে । ইয়াৰোপৰি অনুসূচীত জাতি/ অনুসূচীত জনজাতি / অন্যান্য পিছপৰা শ্ৰেণী/ অধিক অন্যান্য পিছপৰা শ্ৰেণী/ বিভিন্ন চাহ বনুৱা আৰু প্ৰাক্তন চাহ বনুৱা সম্প্ৰদায়ৰ বাসিন্দা সকলৰ স্বাস্থ্য, শিক্ষা বিশেষকৈ স্ত্ৰী শিক্ষা, খোৱা পানীৰ সুবিধা, পথৰ আন্তঃগাঠনিৰ উন্নয়ন আদি কল্যাণ মূলক আঁচনিৰ ওপৰত বিশেষ গুৰুত্ব দিয়া হৈছে ।

**সংখ্যালঘুৰ কল্যাণ ঃ**

৪৬। চৰকাৰে ৰাজ্যখনৰ সংখ্যালঘু সকলৰ কাৰণে কৰিবলগীয়া কাম-কাজৰ প্ৰতি লক্ষ্য ৰাখিবলৈ সচিবালয়ত 'সংখ্যালঘু কল্যাণ বিভাগ' নামেৰে এটি বিভাগ খুলি দিছে । ১৯৯৯-২০০০ চনৰ বাজেটত চৰ এলেকা উন্নয়নৰ বাবে ১৯০ লাখ টকা আৰু অসম সংখ্যালঘু উন্নয়ন পৰিষদৰ বাবে ৪০ লাখ টকাৰ ব্যৱস্থা কৰা হৈছে ।

**আৰক্ষী ঃ**

৪৭। অসমৰ আৰক্ষী বিভাগটো আধুনিকীকৰণ আৰু দক্ষতা বৃদ্ধিৰ কাৰণে যোগাযোগ ব্যৱস্থাৰ সা-সুবিধা, কাৰিকৰী যোগ্যতাৰ উন্নতিকৰণ আৰু পৰিচালনা দক্ষতা বৃদ্ধি কৰাৰ আঁচনি হাতত লোৱা হৈছে । চলিত বছৰত কেন্দ্ৰীয় চৰকাৰে নিৰাপত্তা সম্পৰ্কীয় ব্যয় পৰিশোধ কৰাৰ নীতি চূড়ান্ত কৰিছে । এই নীতি অনুসৰি বিদ্ৰোহাত্মক কাৰ্য্যকলাপ ৰোধ অভিযানত নিয়োজিত অৰ্ধসামৰিক বাহিনী আৰু সেনা বাহিনীৰ শিতানত হোৱা ব্যয় পৰিশোধ কৰাৰহে ব্যৱস্থা কৰা হৈছে । আমি এই নিৰ্দ্দেশাৱলীত সন্তুষ্ট নহয় আৰু যিহেতু ৰাজ্যৰ আৰক্ষী বাহিনীও বিদ্ৰোহাত্মক কাৰ্য্যকলাপ ৰোধ কৰা অভিযানত জড়িত হৈ আছে, সেয়েহে ৰাজ্যৰ আৰক্ষী বাহিনীৰ ব্যয়ৰ অন্ততঃ ৫০ শতাংশ পৰিশোধ কৰিবলৈ কেন্দ্ৰীয় চৰকাৰক হেঁচা দি আছো । চলিত বৰ্ষত কেন্দ্ৰীয় চৰকাৰে নিৰাপত্তা সম্পৰ্কীয় ব্যয়ৰ বাবদ ১-৪-৯৫ ৰ পৰা ৩১-৩-৯৮ লৈকে হোৱা খৰছৰ বাবদ ৭৮.৮৬ কোটি টকা তদৰ্থ পুঁজি হিচাবে মোকলাই দিছে । এই বছৰ দশম বিত্তীয় আয়োগৰ সাহাৰ্য্য শিতানত আৰক্ষী লোকৰ বাবে

১৯৪৬ টা চৰকাৰী নিবাস নির্মাণৰ কাৰণে ৩০.০৯ কোটি টকা মোকলাই দিয়া হৈছে। ১৯৯৯-২০০০ চনৰ বাজেটত উক্ত কামৰ বাবে ৩৬.৩৫ কোটি টকা ধৰা হৈছে। ১৯৯৮-৯৯ বছৰটোত বিদ্রোহাত্মক কার্য্যকলাপ ৰোধ কৰা অভিযানত নিহত আৰক্ষী আৰু অন্যান্য নিৰাপত্তা বাহিনীৰ লোকৰ নিকট্তম আত্মিয়ক এককালীন সাহার্য্য দিয়াৰ কাৰণে ৪.৭৬ কোটি টকা মোকলাই দিয়া হৈছে।

**সাহায্য আৰু পুনৰ সংস্থাপন ঃ**

৪৮। মাননীয় সদস্য সকলে জানে যে, ১৯৯৮ চনৰ বছৰটোত হোৱা প্রলয়ঙ্কাৰী বানে ৰাজ্য খনৰ প্ৰায় ৪৭ লাখ লোকৰ ক্ষতিসাধন কৰে আৰু প্ৰায় ২৮৮ হেজাৰ হেক্টৰ কৃষি অঞ্চল প্লাৱিত কৰে । এই প্রলয়ঙ্কাৰী বানত হোৱা ক্ষয়-ক্ষতিৰ পৰিমান ১০০০ কোটি টকা হব বুলি অনুমান কৰা হৈছে । ক্ষতিগ্রস্থ লোক সকলক সাহায্য আৰু পুনৰ সংস্থাপন দিবলৈ ৰাজ্য চৰকাৰে সম্ভৱপৰ সকলো পদক্ষেপ লৈছে । চলিত বৰ্ষত প্ৰাকৃতিক দুর্য্যোগ সাহায্য পুঁজিৰ পৰা মুঠ ৭৬ কোটি টকা ব্যয় কৰা হৈছে । দুৰ্গত সকলৰ সাহায্যৰ কাৰণে ৰাষ্ট্ৰীয় দুৰ্যোগ সাহায্য পুঁজিৰ পৰা ধন মোকলাই দিবলৈ ভাৰত চৰকাৰৰ ওচৰত স্মাৰক পত্ৰ দাখিল কৰা হৈছে । ১৯৯৬ চনৰ মে মাহৰ পৰাই ৰাজ্য চৰকাৰে কোকৰাঝাৰ আৰু বঙাইগাওঁ জিলাৰ গোষ্ঠীগত সংঘৰ্ষ পীড়িত লোকসকললৈ সাহায্য আৰু পুনৰ সংস্থাপনৰ ব্যয় বহন কৰি আহিছে । চলিত বছৰটোত গোষ্ঠীগত সংঘৰ্ষত পীড়িত সকললৈ সাহায্য আৰু পুনৰ সংস্থাপন শিতানত ১৭.৫৫ কোটি টকা ব্যয় কৰা হৈছে তাৰে অনুগ্ৰহ সাহায্য (GR) আৰু পুনৰ সংস্থাপন সাহার্য্য (RG) ৰ বাবদ ১৬.৭ কোটি টকা ব্যয় হৈছে । এই শিতানত ১৯৯৬ চনৰ মে মাহৰ পৰা ১৯৯৯ চনৰ ফেব্রুৱাৰী মাহলৈকে হোৱা মুঠ ব্যয়ৰ পৰিমাণ হৈছে ৭৬.৫৫ কোটি টকা ।

**আনুষ্ঠানিক বিত্ত ঃ**

৪৯। ৰাজ্যখনৰ আৰ্থিক আৰু সামাজিক উন্নয়নৰ বাবে বেংক আৰু বিত্তীয় প্ৰতিষ্ঠান সমূহে ঋণ বিনিয়োজনৰ জৰিয়তে এক বিশেষ ভুমিকা পালন কৰিবলগীয়া আছে । ৰাজ্যত ৩০-৯-৯৮ তাৰিখৰ হিচাপমতে ১৩০৭ টা বেংকৰ শাখাই কাম কৰিছে যদিও ৰাজ্যৰ ঋণ আৰু সঞ্চয়ৰ অনুপাত ৩০-৯-৯৮ তাৰিখৰ তিনিমহীয়া হিচাপমতে ৩১.৬০ শতাংশহে দেখা গৈছে । ইয়াৰ বিপৰীতে উক্ত অনুপাতৰ সৰ্বভাৰতীয় গড় হাৰ আছিল ৫৩.৭০ শতাংশ । ৰাজ্য চৰকাৰে বিষয়টো গুৰুত্ব সহকাৰে লৈছে আৰু বেংক কতৃপক্ষক ৰাজ্যখনত ঋণ প্ৰদানৰ অনুপাত বৃদ্ধিৰ বাবে উপযুক্ত ব্যৱস্থা লবলৈ আহবান জনাই আহিছে । চৰকাৰে ৰাজ্যখনৰ

উন্নয়নৰ হেতু বেংক সমূহৰ সু-পৰিচালনা আৰু কাৰ্য্যদক্ষতা বৃদ্ধিৰ বাবে বেংক কৰ্তৃপক্ষৰ লগত সম্পূৰ্ণ সহযোগিতা আগবঢ়াই আহিছে ।

**একাদশ বিত্ত আয়োগ ঃ**

৫০। মাননীয় সদস্য সকল অৱগত যে কেন্দ্ৰীয় চৰকাৰে ১৯৯৮ চনৰ জুলাই মাহত প্ৰফেচাৰ এ,এম, খুশ্ৰুৰ অধ্যক্ষতাত একাদশ বিত্ত আয়োগ গঠন কৰি দিছে । বিত্ত আয়োগৰ অধ্যক্ষ আৰু সদস্য সকলে এই বছৰ ১৪ মাৰ্চৰ পৰা ১৬ মাৰ্চলৈকে ৰাজ্যখন ভ্ৰমণ কৰি গৈছে । নিম্নোক্ত পৰামৰ্শৱলী সন্নিবিষ্ট কৰি ৰাজ্য চৰকাৰে আয়োগক এখন বিস্তৃত স্মাৰক পত্ৰ প্ৰদান কৰিছে ঃ-

(i) অতিৰিক্ত কেন্দ্ৰীয় আৱকাৰী শুল্কৰ বাহিৰে বাকী সমুদায় কেন্দ্ৰীয় কৰৰ পঞ্চাশ শতাংশ ৰাজ্য সমূহৰ মাজত বিতৰণ কৰা ।

(ii) বিতৰনৰ বাবে ৰখা কেন্দ্ৰীয় কৰৰ পুঁজিৰ ৩০ শতাংশ বিশেষ শ্ৰেণীৰ ৰাজ্য সমূহৰ বাবে আচুতীয়াকৈ ৰখা ।

(iii) বিশেষ শ্ৰেণী ভুক্ত ৰাজ্য কেইখনৰ পৰিকল্পনা বৰ্হিঃভূত শিতানৰ ৰাজহ ঘাটি বিত্তীয় আয়োগে অনুমোদন জনোৱা পৰিকল্পনা বৰ্হিঃভূত শিতানৰ পৰা সম্পূৰ্ণভাবে পুৰণ কৰা বা ১৯৮৮-৮৯ চনৰ পূৰ্বৰ ব্যৱস্থা মতে অতিৰিক্ত কেন্দ্ৰীয় সাহাৰ্য্য দিয়া ।

(iv) খাৰুৱা তেলৰ ৰয়েলিটি আমদানীকৃত খাৰুৱাতেলৰ মূল্যৰ ভিত্তিত নিৰূপণ কৰা আৰু এই নীতি অনুযায়ী প্ৰতি মেট্ৰিকটন খাৰুৱা তেলৰ বিপৰীতে ১২০৪ টকা কৈ ৰয়েলিটি ধাৰ্য্য কৰা ।

(v) চাহ খেতি আৰু চাহ উৎপাদনৰ সমুদায় আয় কৃষি আয় বুলি গণ্য কৰি ৰাজ্য চৰকাৰে কৰ আৰোপ কৰিবৰ যোগ্য কৰা ।

(vi) আন্তঃগাঠনিমুলক আৰু নুন্যতম প্ৰয়োজনীয় সেৱাৰ বাবে শুল্কা আয়োগে অনুমোদন জনোৱা সকলো পুঁজি ৰাজ্য চৰকাৰৰ বাবে ব্যৱস্থা কৰা আৰু ৰাজ্য খনৰ ৰাজহৰ ওপৰত ভিত্তি নকৰি ইয়াৰ উন্নয়ন মূলক কাম-কাজৰ পৰিসৰ অনুযায়ী পৰিকল্পনা পুঁজি নিৰ্দ্ধাৰণ কৰা ।

(vii) পঞ্চম কেন্দ্ৰীয় দৰমহা আয়োগৰ অনুমোদন ভিত্তিত ৰাজ্য চৰকাৰৰ কৰ্মচাৰী সকলক দৰমহা দিয়াৰ কাৰণে প্ৰয়োজনীয় সমুদায় অতিৰিক্ত খৰচ কেন্দ্ৰীয় চৰকাৰে বহন কৰা ।

(viii) সম্পদ সমূহৰ ৰক্ষণা-বেক্ষণ আৰু মেৰামতিৰ কাৰণে নীতি মতে নিৰ্দ্ধাৰণ কৰা প্ৰয়োজনীয় পুঁজিৰ যোগান ধৰাৰ লগতে পৰিকল্পনা গাঠনি সৰ্ন্দভত পৰিশোধ কৰিবলগীয়া চুক্তিবদ্ধ পুঁজি পৰিকল্পনা বহিৰ্ভূত শিতানৰ পৰা ব্যৱস্থা কৰা ।

(ix) ১-৪-৯০ চনৰ পূৰ্বৰ ঋণ বৰ্ত্তমান পৰিবৰ্ত্তিত নীতি অনুযায়ী ৯০ শতাংশ সাহায্য আৰু ১০ শতাংশ ঋণৰ ভিত্তিত ঋণৰ বোজাৰ সকাহ দিবলৈ অনুমোদন জনোৱা ।

(x) ব্ৰহ্মপুত্ৰ বান নিয়ন্ত্ৰণৰ বাবে কেন্দ্ৰীয় ঋণৰ সম্পূৰ্ণ অংশ মঞ্জুৰী লৈ সলনি কৰিব লাগে, ইয়াৰ বাবে দিবলৈ থকা ঋণ সমূহ সম্পূৰ্ণভাৱে ৰেহাই দিয়াৰ ব্যৱস্থা কৰা ।

(xi) ৰাজ্যখনত চলি থকা হিংসাত্মক কাৰ্য্যকলাপৰ পৰিপ্ৰেক্ষিতত ২০০০-২০০৫ চনৰ ভিতৰত কেন্দ্ৰক পৰিশোধ কৰিবলগীয়া মূল আৰু সুদ যথাক্ৰমে ১৫০০ কোটি আৰু ৩২০০ কোটি টকা ৰেহাই দিয়া ।

(xii) ৰাজধানী নিৰ্মাণৰ কাৰণে প্ৰয়োজনীয় ২২৪৮ কোটি টকা আদায় দিয়া ।

(xiii) প্ৰশাসনৰ আধুনিকীকৰণ আৰু মান উন্নয়নৰ কাৰণে ৰাজ্য চৰকাৰক ১৮২৯ কোটি টকাৰ ব্যৱস্থা কৰা ।

(xiv) অসম ৰাজ্যিক পথ পৰিবহণ নিগম আৰু অন্যান্য নিগমৰ কৰ্মচাৰী সকলৰ স্বেচ্ছাকৃত অৱসৰ আঁচনিখন ৰূপায়ণ কৰাৰ বাবে ৰাজ্য চৰকাৰলৈ পুঁজিৰ ব্যৱস্থা কৰা যাতে এই নিগমবোৰ বিত্তীয় ভাবে সবল হয় ।

ৰাজ্যখনৰ বৰ্ত্তমান ভাৰ-সাম্যহীন বিত্তীয় পৰিস্থিতিৰ পৰা অব্যাহতি পাবলৈ একাদশ বিত্তীয় আয়োগৰ পৰা ইতিবাচক সহাঁৰি পাম বুলি আমি আশা কৰিছো ।

**ৰাজ্যিক বিত্ত ঃ**

৫১। মাননীয় সদস্য সকলৰ এইটো অৱগত যে ৰাজ্যখন গভীৰ বিত্তীয় সংকটৰ সন্মুখীন হৈছে । চলিত বৰ্ষত ৰাজ্যচৰকাৰ প্ৰতিমাহে দুশ কোটিতকৈয়ো অধিক টকাৰ অভাৰ ড্ৰাফটৰ সন্মুখীন হৈছে আৰু ভাৰতীয় ৰিজাৰ্ভ বেংকে ১৯৯৮ চনৰ এপ্ৰিল আৰু মে মাহৰ বাহিৰে প্ৰতি মাহতে ৰাজ্য চৰকাৰৰ ধন আদায় কৰাত বাধা আৰোপ কৰিছে । চলিত মাহত অভাৰ ড্ৰাফটৰ পৰিমাণ ৩১১ কোটি টকা হৈছিলগৈ আৰু সেয়েহে ভাৰতীয় ৰিজাৰ্ভ বেংকে ১৫ মাৰ্চ ১৯৯৯ তাৰিখৰ পৰা চৰকাৰৰ ধন আদায় দিয়াত বাধা আৰোপ কৰিছে ।

৫২। খৰচৰ পৰিমান আয়তকৈ বেছি হোৱাত বাজেট ঘাটি আৰু পৰিকল্পনা বহিৰ্ভূত শিতানত একেৰাহে বৃদ্ধি হৈ থকা ঘাটিৰ বাবেই বৰ্ত্তমানৰ এই গভীৰ বিত্তীয় সংকটৰ সৃষ্টি হৈছে । কৰ্মচাৰীৰ সংখ্যা বৃদ্ধিৰ হেতু দৰমহাৰ বিলৰ অস্বাভাবিক বৃদ্ধি, মূল্যসূচীৰ বৃদ্ধি হেতু কৰ্মচাৰী আৰু পেন্সনাৰক দিয়া মৰগীয়া বানচ, দিনক দিনে বৃদ্ধি পাই অহা বকেয়া পৰিশোধৰ বোজা আদিয়ে এই অস্বাভাবিক ব্যয় বৃদ্ধিত অৰিহনা যোগাই আহিছে । অলপতে কাৰ্য্যকৰী হোৱা কৰ্মচাৰীৰ দৰমহাৰ উৰ্দ্ধগামী সংশোধনীও বিত্তীয় অৱস্থাটো আৰু জটিল কৰি তুলিছে । চৰকাৰে ঋণৰ পূঁজিৰ পৰা কৰা বিশাল বিনিয়োজন সমূহে কোনো আয় দিব পৰা নাই আৰু গোষ্ঠী সংঘৰ্ষ তথা সন্ত্ৰাসবাদে অতিৰিক্ত সম্পদ আহৰনকে আদি কৰি ৰাজ্যৰ সম্পদ আহৰণৰ উৎস সমূহকো বেয়াকৈ প্ৰভাৱান্বিত কৰিছে । প্ৰতিকূল নিৰাপত্তাহীনতাৰ বাতাবৰনে যে কেৱল সম্পদ সমূহ উন্নয়নমূলক শিতানৰ খৰচৰ পৰিবৰ্ত্তে নিৰাপত্তাজনিত উন্নয়ন বহিৰ্ভূত কামত খৰচ কৰিবলগীয়া হোৱাই নহয়, প্ৰতিকূল নিৰাপত্তা বাতাবৰণ মূলতঃ ৰাজ্যৰ স্থবিৰ অৰ্থনৈতিক অৱস্থা আৰু কৰ ৰাজহ হ্ৰাস হোৱা অৱস্থাৰ বাবে দায়ী ।

৫৩। আয় কম হোৱাত আৰু জমা-খৰছৰ মাজত সামঞ্জস্য নথকাৰ ফলত নগদ জমা পূঁজিৰ নাটনি হৈছে । যাৰ ফলত আমি ৰিজাৰ্ভ বেংকৰ পৰা Ways and Means advance আৰু অভাৰ ড্ৰাফ্‌ট ল'ব লগা হৈছে । যিহেতু ৰাজ্য চৰকাৰ এই অভাৰ ড্ৰাফত ১০ দিনৰ ভিতৰত পৰিশোধ কৰিবলৈ নিজা পূঁজি নাই , ভাৰতীয় ৰিজাৰ্ভ বেংকে অসম চৰকাৰৰ হিচাবত লেন-দেন বন্ধ কৰিবলৈ বাধ্য হয় । তদুপৰি ৰাজ্য চৰকাৰে কেন্দ্ৰীয় চৰকাৰক ঋণৰ বাবদ পৰিশোধ কৰিবলগীয়া আৰু ৰাজ্যিক বিদুৎ পৰিষদে কেন্দ্ৰীয় ৰাজহুৱা খণ্ডক পৰিশোধ কৰিবলগা পূঁজি কেন্দ্ৰীয় চৰকাৰে ৰাজ্যক দিব লগীয়া পৰিকল্পনা মঞ্জুৰিৰ পৰা উৎসতে কাটি ৰখাত এই অৱস্থা অতি জটিল হৈ উঠিছে । বিশেষকৈ প্ৰথমটো কাৰণতে

জটিল ভাৰ-সাম্য হীন বিত্তীয় পৰিস্থিতি আৰু ধনৰ অভাৱৰ মেৰপেচত ৰাজ্য চৰকাৰ সোমাই পৰিছে ।

৫৪। ৰাজ্য খনৰ এই সংকট জনক বিত্তীয় পৰিস্থিতিৰ পৰা উদ্ধাৰ পাবলৈ, আয় আৰু ব্যয়ৰ ব্যৱধান হ্ৰাস কৰিবলৈ, কৰ সংগ্ৰহৰ পৰিসৰ বৃদ্ধি, কৰ সংগ্ৰহৰ নতুন উৎস আৰু কৰ সংগ্ৰহৰ আঁসোৱাহ সমূহ দূৰ কৰিবলৈ যোৱা তিনি বছৰে চৰকাৰে আন্তৰিকতাৰে চেষ্টা চলাই আহিছে । মাননীয় সদস্য সকলে যোৱা দুই বছৰত এই সম্পৰ্কত অনুমোদন জনোৱা বিধেয়ক দুখনৰ বিষয়ে অৱগত । চৰকাৰে পৰিকল্পনা বহিৰ্ভূত শিতানত নতুন পদ সৃষ্টি বন্ধ কৰাৰ লগতে ৰাজহ শিতানৰ ব্যয় সংকোচন কৰিবলৈ সকলো প্ৰকাৰৰ প্ৰচেষ্টা হাতত লৈছে । তদুপৰি ৰাজ্য চৰকাৰে ব্যয় সংকোচন কৰি মূলধনী ব্যয় বৃদ্ধি কৰিবলৈ চেষ্টা কৰি আছে । ৰাজ্যৰ জটিল বিত্তীয় পৰিস্থিতিৰ বিষয়ে একাদশ বিত্তীয় আয়োগক বিস্তৃত ভাৱে জনাইছে আৰু ১-৪-২০০০ চনৰ পৰা কাৰ্যকৰী হোৱাকৈ একাদশ বিত্তীয় আয়োগৰ অনুদান সমূহ পালে পৰিস্থিতিৰ দ্ৰুত উন্নতি ঘটিব । ইতিমধ্যে ঋণ পৰিশোধ বন্ধ ৰাখিবলৈ ৰাজ্য চৰকাৰে ভাৰত চৰকাৰক অনুৰোধ জনাইছে । বিভিন্ন ৰাজ্য চৰকাৰৰ মজলীয়া ধৰণৰ ৰাজহ ঘাটিৰ সমস্যা সমূহ পৰ্য্যালোচনা কৰাৰ কাৰণে ভাৰত চৰকাৰে ৰাষ্ট্ৰীয় উন্নয়ন পৰিষদৰ অধীনত এখন উপসমিতি গঠন কৰি দিছে ।

**দৰমহা সংশোধন ঃ**

৫৫। ৰাজ্য চৰকাৰে কেবিনেট উপ-সমিতিৰ সংশোধন সন্নিবিষ্ট অসম দৰমহা আয়োগৰ অনুমোদনাৱলীৰ ৰূপায়ণ কৰিছে আৰু ১-৮-৯৮ তাৰিখৰ পৰা কাৰ্য্যকৰী হোৱাকৈ সংশোধিত হাৰত দৰমহা আৰু ভাট্টা সমূহ দিছে । ১-১-৯৬ ৰ পৰা ৩১-৭-৯৮ তাৰিখৰ দৰমহাৰ বকেয়া ধন সমূহ কৰ্মচাৰীৰ সাধাৰণ ভৱিষ্য নিধি শিতানত জমা ৰখা হ'ব । দৰমহা আৰু ভাট্টাৰ সংশোধনীৰ বাবে প্ৰায় ৭০০ কোটি টকাৰ অতিৰিক্ত পুঁজিৰ আৱশ্যক হৈছে । পঞ্চম কেন্দ্ৰীয় দৰমহা আয়োগৰ সমানে ৰাজ্য চৰকাৰৰ কৰ্মচাৰী সকলক দৰমহা দিবলৈ আৱশ্যক হোৱা সমুদায় অতিৰিক্ত পুঁজি যোগান ধৰিবলৈ একাদশ বিত্তীয় আয়োগক টানি অনুৰোধ জনোৱা হৈছে ।

**ঋণ ঃ**

৫৬। ১-৪-৯৮ তাৰিখত ৰাজ্যখনৰ বকেয়া ঋণৰ বোজাৰ পৰিমাণ আছিল ৬১১৮ কোটি টকা, ইয়াৰে ৪১৫২ কোটি টকা হৈছে কেন্দ্ৰীয় চৰকাৰৰ পৰা লোৱা ঋণ, ই মুঠ

ঋণৰ ৬৮ শতাংশ । জনমূৰি ঋণৰ বোজাৰ পৰিমাণ হৈছেগৈ ২৪৪৭ টকা । প্ৰাপ্ত তথ্য অনুসৰি ১-৪-৯৯ তাৰিখত বকেয়া ঋণৰ বোজাৰ পৰিমাণ হবগৈ ৬৯১৭ কোটি টকা আৰু জনমূৰি ঋণৰ বোজা হৈছে গৈ ২৬৬০ টকা । চলিত বছৰত ৰাজ্য চৰকাৰৰ ঋণৰ বোজাৰ পৰিমাণ আছিল ৯৯৮ কোটি টকা আৰু তাৰে ৭৪০ কোটি টকা সুদ পৰিশোধৰ বাবে । চলিত বছৰত কেন্দ্ৰীয় চৰকাৰৰ সূতেমূলে ৬৩৯ কোটি টকা ঋণ পৰিশোধ কৰা হৈছে । অসম চৰকাৰৰ অনুৰোধ ক্ৰমে এই বছৰত পৰিশোধ কৰিবলগীয়া ঋণৰ প্ৰায় ১৮৮ কোটি টকা ১৯৯৯-২০০০ চনত পৰিশোধ কৰাৰ প্ৰস্তাৱত কেন্দ্ৰীয় চৰকাৰে সন্মতি জনাইছে । চলিত বৰ্ষত অসমক বাৰ্ষিক পৰিকল্পনাৰ বাবে কেন্দ্ৰীয় চৰকাৰে দিব লগা সাহাৰ্য্যৰ পৰা ৫৫২ কোটি টকা উৎসতে কাটি ৰাখিছে লগতে অসম ৰাজ্যিক বিদ্যুৎ পৰিষদে কেন্দ্ৰীয় ৰাজহুৱা খণ্ডক পৰিশোধ কৰিবলগীয়া ১৩১ টকাও কেন্দ্ৰীয় চৰকাৰে উৎসত কাটি ৰাখিছে ।

**ৰাজহ সংগ্ৰহ ঃ**

৫৭। ১৯৯৭-৯৮ চনত চৰকাৰে নিজৰ উৎসৰ পৰা সংগ্ৰহ কৰা ৰাজহৰ পৰিমান আছিল ১২৬৩ কোটি টকা, ইয়াৰে ৮৮২ কোটি টকা কৰ ৰাজহ আৰু ৩৮১ কোটি টকা কৰ বিহীন ৰাজহ । ১৯৯৭-৯৮ চনত কেন্দ্ৰীয় চৰকাৰে দিবলগীয়া কৰৰ অংশৰ পৰিমান আছিল ৩০৬২ কোটি টকা । ইয়াৰে ১৪৭৫ কোটি টকা কেন্দ্ৰীয় কৰৰ অংশ আৰু ১৫৮৭ কোটি টকা পৰিকল্পনা বহিঃৰ্ভূত শিতান, পৰিকল্পনা শিতান আৰু কেন্দ্ৰই পৃষ্ঠপোষকতা কৰা আচঁনিলৈ দিয়া সাহায্য মঞ্জুৰী । মাননীয় সদস্য সকলে মন কৰিব যে ৰাজহ শিতানত হোৱা মুঠ আয়ৰ মাত্ৰ ২৯ শতাংশহে ৰাজ্য চৰকাৰৰ নিজৰ উৎসৰ পৰা সংগ্ৰহ হয় । ১৯৯৮-৯৯ চনৰ ৰাজ্য চৰকাৰৰ নিজৰ উৎসৰ পৰা হোৱা সংশোধিত হিচাবমতে মুঠ আয়ৰ পৰিমাণ ১৫৬১ কোটি টকা ইয়াৰে ১১৭৫ কোটি টকা কৰ ৰাজহ আৰু ৩৮৬ কোটি টকা কৰ বিহীন ৰাজহ । ১৯৯৮-৯৯ চনৰৰ কেন্দ্ৰীয় চৰকাৰে দিবলগীয়া পুঁজিৰ পৰিমাণ প্ৰায় ৩৬৯৪ কোটি টকা, ইয়াৰে কেন্দ্ৰীয় চৰকাৰৰ কৰৰ অংশ ১৬২৭ কোটি টকা আৰু পৰিকল্পনা বহিৰ্ভূত শিতান আৰু কেন্দ্ৰই পৃষ্ঠপোষকতা কৰা আঁচনি শিতানৰ সাহয্য মঞ্জুৰী ২০৬৭ কোটি টকা ।

**কৰ প্ৰস্তাৱ ঃ**

৫৮। অধ্যক্ষ মহোদয়, মই এতিয়া কৰ প্ৰস্তাৱ সম্বন্ধে কব খুজিছো ।

চৰকাৰে সন্মুখীন হোৱা আৰ্থিক সংকটৰ বিষয়ে মাননীয় সদস্য সকলে ভালকৈ জানে । এই গভীৰ সংকটৰ পৰা ৰক্ষা পাবলৈ নতুন কৰ আৰোপ কৰাটো

অপৰিহাৰ্য্য । কিন্তু সকলো নিত্য ব্যৱহাৰ্য্য সামগ্ৰীৰ মূল্য বৃদ্ধিয়ে আমাৰ সৰ্ব্বসাধাৰণ ৰাইজক জুৰুলা কৰি তোলাৰ প্ৰতি লক্ষ্য ৰাখি মই এনে প্ৰস্তাৱৰ পৰা বিৰত থাকিলো ।

৫৯। এইটো ঠিক যে ৰাজ্যখনত দীৰ্ঘদিন ধৰি চলি থকা সন্ত্ৰাসবাদ আৰু বিদ্ৰোহাত্মক কাৰ্য্যকলাপৰ বাবে বিঘ্নিত হোৱা ৰাজ্য খনৰ পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত উদ্যোগিক খণ্ডত নতুন বিনিয়োগ কৰাত প্ৰতিবন্ধকতাই দেখা দিছে । সেয়েহে কৰ ৰাজহৰ সংগ্ৰহ বৃদ্ধি কৰিবৰ কাৰণে আমি বৰ্ত্তমান চলি থকা কৰ সমূহৰ ভিত্তি বহল কৰা, কৰ সংগ্ৰহৰ যন্ত্ৰটো সক্ৰিয় আৰু কাৰ্য্যক্ষম কৰা, কৰ ফাঁকি ৰোধ কৰা আৰু কৰ আইন সমূহৰ সু-প্ৰয়োগৰ ওপৰত গুৰুত্ব দিয়া হৈছে । এই পৰিপ্ৰেক্ষিতত অসম সাধাৰণ বিক্ৰীকৰ আইনখন তলত উল্লেখ কৰাৰ দৰে সামান্য সংশোধন প্ৰস্তাৱ কৰা হৈছে ঃ

**ক্ষুদ্ৰ ব্যৱসায়ী সকলৰ বাবে নিৰ্দ্ধাৰিত কৰ ঃ**

৬০। চৰকাৰে বিভিন্ন শ্ৰেণীৰ লোকৰ লগতে বিধান সভাৰ কেইগৰাকীমান সদস্যই ক্ষুদ্ৰ ব্যৱসায়ী সকলে তেওঁলোকৰ ব্যৱসায়ৰ হিচাব পত্ৰ, হিচাব পত্ৰৰ বিবৰণ ইত্যাদি দাখিল কৰোতে যথেষ্ঠ হাৰাশাস্তি আৰু খৰচান্ত হ'বলগীয়া হোৱা বুলি অভিযোগ উত্থাপন কৰিছে । বিগত বাজেট অধিবেশনত ভালেমান মাননীয় সদস্যই এই ক্ষুদ্ৰ ব্যৱসায়ী সকলৰ ক্ষেত্ৰত এক (Composite) কৰৰ ব্যৱস্থা কৰি তেওঁলোকক হিচাব পত্ৰ আদি ৰখা বোজাৰ পৰা ৰেহাই দিয়াৰ বাবে পৰামৰ্শ আগ বঢ়াইছিল ।

৬১। এই কথা মনত ৰাখিয়েই যি সকল ব্যৱসায়ীৰ বাৰ্ষিক আয় ২ লাখ টকাৰ অধিক নহয় সেই সকলৰ ওপৰত বছৰেকত ২ হাজাৰ টকাৰ নিৰ্দ্ধাৰিত কৰ (Composite Tax) আৰোপ কৰাৰ বাবে মই প্ৰস্তাৱ কৰিছো । যি সকল এনে ব্যৱসায়ীয়ে দুটা সমান কিস্তিত এই ২ হাজাৰ টকা পৰিশোধ কৰে, তেওঁলোকে হিচাব পত্ৰৰ বাবে সুকীয়া নথি পত্ৰ ৰখাৰ আৰু প্ৰতিবেদন দিয়াৰ প্ৰায়োজন নহব । কৰ সংগ্ৰহকাৰী বিষয়া সকলে বিশেষ কাৰণ নাথাকিলে তেনে ব্যৱসায়ী সকলৰ প্ৰতিষ্ঠানৰ হিচাব পৰীক্ষা কৰিব নেলাগে । অৱশ্যে যি সকল ক্ষুদ্ৰ ব্যৱসায়ীয়ে হিচাব পত্ৰ ৰাখি হিচাব মতে দিব লগীয়া কৰ দিব বিচাৰে, তেওঁলোকে তেনে কৰিব পাৰিব । এই সংক্ৰান্তত প্ৰয়োজনীয় অধিসূচনা শীঘ্ৰেই জাৰি কৰা হ'ব ।

**কৰৰ পৰিসৰ বৃদ্ধি ঃ**

৬২। অসম সাধাৰণ বিক্ৰী কৰ (AGST) আইনৰ অধীনত বৰ্ত্তমানে বছৰত ৫০,০০০ টকাৰ ব্যৱসায় কৰা ক্ষুদ্ৰ ব্যৱসায়ী সকলে পঞ্জীয়নভূক্ত হ'ব নালাগে আৰু কৰ পৰিশোধ কৰিব নালাগে । উক্ত ৫০,০০০ টকাৰ নিৰিখ ১৯৯৩ চনত স্হিৰ কৰা হৈছিল । বিগত যোৱা দুটা বছৰত মুদ্ৰাস্ফীতিৰ আৰু টকাৰ মূল্যৰ হ্ৰাসৰ কাৰণে উক্ত নিৰিখ বঢ়াই দিয়াৰ বাবে চৰকাৰে বহুতো আবেদন পাইছে । সেয়ে মই এই ৰেহাইৰ নিৰিখ ১,০০,০০০ টকালৈ বঢ়াই দিয়াৰ প্ৰস্তাৱ কৰিছো ।

**হিচাব পৰীক্ষা ঃ**

৬৩। যি সকল ব্যৱসায়ীয়ে বছৰটোত মুঠ ৪০ লাখ বা তাতোকৈ বেছি টকাৰ ব্যৱসায় কৰে তেওঁলোকৰ হিচাব Chartered Accountant দ্বাৰা পৰীক্ষা কৰোৱাৰ প্ৰস্তাৱ কৰা হৈছে । এনে ব্যৱস্হা আয় কৰৰ ক্ষেত্ৰত চলি আছে আৰু তামিলনাড়ু, কেৰেলা আদিৰ দৰে ৰাজ্যবোৰৰ তেওঁলোকৰ বিক্ৰীকৰ আইনত এনে ব্যৱস্হা আছে । এনে ব্যৱস্হাৰ ব্যৱসায়ী সকলৰ হিচাব উন্নত আৰু সঠিক ভাবে পৰীক্ষা কৰাত সহায় কৰাৰ লগতে অধিক কৰ সংগ্ৰহত সহায়ক হ'ব ।

**গোচৰ ৰজু ঃ**

৬৪। কৰ আইনৰ প্ৰয়োজনীয় দফা সংশোধন কৰি কৰ দাতাৰ আপীলৰ সম্পৰ্কে কৰ বিভাগৰ উপায়ুক্তই (Deputy Commissioner of Taxes Appeal) দিয়া আদেশৰ বিৰুদ্ধে কৰ নিৰূপণ বিষয়াই সংশোধনীৰ বাবে অবেদন কৰাৰ ব্যৱস্হা কৰা হৈছে আৰু লগতে কৰ ফাঁকি দিয়া নাইৱা কৰ ফাঁকি সহায়কাৰীৰ বিৰুদ্ধে মোকৰ্দমা ৰজুৰ ব্যৱস্থা কৰা হ'ব ।

৬৫। চৰকাৰৰ দৃষ্টি গোচৰ হৈছে যে বহুতো কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ বিভাগ তথা অৰ্দ্ধচৰকাৰী প্ৰতিষ্ঠানে অসম সাধাৰণ বিক্ৰী কৰ (AGST) ১৯৯৩ আইনৰ ২৭ ধাৰামতে উৎসতে কৰ কাটি ৰখাত অসমৰ্থ হয় বা কৰ লগালেও উক্ত কৰ ৰাজহ, নিৰ্দ্ধাৰিত সময়ৰ ভিতৰত চৰকাৰী হিচাবত জমা দিয়াত অসমৰ্থ হয় । নেৰানেপেৰা প্ৰচেষ্টা আৰু কৰ বিষয়াই লোৱা পৰৱৰ্ত্তী কাৰ্য্যকৰী ব্যৱস্হায়ো বিভাগীয় মূৰব্বীৰ পৰা ফলপ্ৰসু সহাৰি নাপায় । সেয়েহে এনেকুৱা অভিযুক্ত বিভাগীয় মূৰব্বী সমূহৰ বিৰুদ্ধে আদালতত গোচৰ

দিয়াৰ ব্যৱস্থা লবলৈ দিহা কৰিব বিচৰা হৈছে, যাতে উৎসতে কৰ ৰাজহ কাটি ৰখা হয় আৰু নিৰ্দ্ধাৰিত সময়ত উক্ত কৰ ৰাজহ চৰকাৰী হিচাবত জমা দিয়া হয়।

**কৰ সৰলিকৰণ ঃ**

৬৬। মাননীয় সদস্য সকলৰ এইটো জ্ঞাত যে কৰ পৰিশোধৰ বহুতবোৰ ঢাপ-ভাগ হাৰ থকা হেতুকে কৰদাতা তথা বিভাগ সমূহ যথেষ্ট অসুবিধাৰ সন্মুখীন হৈছে। ভেটৰ (VAT) সম্পৰ্কে হোৱা মুখ্যমন্ত্ৰী সকলৰ সন্মিলনৰ চাৰিটা প্ৰধান নিৰিখ যেনে- ০ শতাংশ, ৪ শতাংশ, ৮ শতাংশ, আৰু ১২ শতাংশ, লগতে আৰু দুটা বিশেষ নিৰিখ আথাৎ ১ শতাংশ, আৰু ২০ শতাংশ কৰৰ অনুমোদন জনাইছে। বৰ্ত্তমান আমাৰ ০ শতাংশৰ পৰা ২৫ শতাংশলৈকে ১৩ টা মান কৰৰ হাৰ আছে। সেয়েহে, কৰৰ নিৰিখ সমূহ একে কৰাৰ কাৰণে পৰ্য্যায় ক্ৰমে কৰৰ হাৰ সমূহ কমাবলৈ প্ৰচেষ্টা হাতত লোৱা হৈছে। প্ৰথম প্ৰচেষ্টা হিচাবে কৰৰ হাৰ বৰ্ত্তমান ১৩ টাৰ পৰা ৮ টালৈ হ্ৰাস কৰা হ'ব। মই ফটো পেপাৰ, এক্সৰে প্লেট, গ্ৰাফিক প্লেট আৰু ৰঙীন ফটো পেপাৰৰ আৰোপিত প্লেট ১৪ শতাংশৰ পৰা ৪ শতাংশলৈ হ্ৰাস কৰাৰ কাৰণে আৰু সকলো ধৰণৰ কম্পিউটাৰ, চফ্‌ট ওৱেৰ, ফেক্স মেচিন, ফটো কপিয়াৰ আৰু ইয়াৰ সংশ্লিষ্ট যন্ত্ৰ-পাতি সমূহৰ ওপৰত থকা বিক্ৰীকৰৰ নিৰিখ ৮ শতাংশৰ পৰা ২ শতাংশলৈ হ্ৰাস কৰাৰ বাবে প্ৰস্তাৱ আগ বঢ়াইছো। লগতে মই বনস্পতি ঘি, পিয়াজ, নহৰুৰ ওপৰত বৰ্ত্তমান প্ৰচলিত দুটা স্থানৰ পৰিবৰ্ত্তে এটা স্থানত কৰ দিয়াত প্ৰস্তাৱ কৰিছো। মই বিস্কুটৰ ওপৰত থকা বিক্ৰীকৰ বৰ্ত্তমান ১২ শতাংশৰ পৰা ৮ শতাংশলৈ হ্ৰাস কৰাৰ প্ৰস্তাৱ দিছো। এই ব্যৱস্থাবোৰে বাণিজ্যৰ বৰ্হিমুখী গতি ৰোধ কৰিব। এই সম্পৰ্কীয় অধীসুচনা সময় মতে সদনত দাখিল কৰা হ'ব।

**বিধি ব্যৱহাৰ / নিয়মৰ সৰলীকৰণ ঃ**

৬৭। চৰকাৰে বিভিন্ন ব্যৱসায়ী গোষ্ঠীৰ পৰা অসম বিক্ৰী কৰ আইনৰ অধীনত পঞ্জীভূক্ত ব্যৱসায়ী সকলে ব্যৱহাৰ কৰা ঘোষণা পত্ৰ 'ক' ৰ সীমাবদ্ধতা বঢ়াই দিয়াৰ বাবে প্ৰতিবেদন পাইছে। ইয়াৰ সীমা ২৫,০০০ টকা হোৱাৰ বাবে ব্যৱসায়ী সকলে যথেষ্ঠ অসুবিধাৰ সন্মূখীন হয়। সেয়েহে বৰ্ত্তমান এই সীমা ২৫,০০০ টকাৰ পৰা ১ লাখ টকালৈ বৃদ্ধি কৰাৰ বাবে মই প্ৰস্তাৱ আগ বঢ়াইছো। এইটোৱে ব্যৱসায়ীসকলে ব্যৱহাৰ কৰা পত্ৰ সংখ্যা কমাব আৰু খুটি-নাটি মাৰি পৰীক্ষা-নিৰীক্ষা কৰাৰ সুবিধা প্ৰদান কৰিব।

৬৮। বৰ্ত্তমানেও এড়ীমুগাৰ পৰা বস্ত্ৰ উৎপাদন কৰি অসমৰ ভালে সংখ্যক মহিলাই জীৱন নিৰ্ব্বাহ কৰে । মই পৰম্পৰাগতভাৱে এড়ী আৰু মুগাৰ লেটাৰ সম্পূৰ্ণ কৰ মুক্ত কৰাৰ প্ৰাস্তাৱ ৰাখিছো ।

**কেব'লনেটৱৰ্কৰ ওপৰত কৰ ঃ**

৬৯। মাননীয় সদস্য সকল নিশ্চয় অবগত যে কেব'ল টেলিভিচন সেৱাই প্ৰায়বোৰ সৰু-ডাঙৰ চহৰতে কাঠ ফুলাৰ দৰে সামৰি লৈছে । আমোদৰ বিভিন্ন কাৰ্য্যসূচীৰ লগতে জনপ্ৰিয় কথাছবিও কেব'ল্‌নেটৱৰ্ক সেৱাৰ জৰিয়তে প্ৰদৰ্শিত হয় । সেয়েহে মই কেব'ল টেলিভিচন নেটৱৰ্ক আৰু ভিদিঅ' চিনেমাৰ ওপৰত কৰ লগাব খুজিছো । সেইমতে কেৱল অ'পাৰেটৰৰ পৰা গ্ৰাহকে প্ৰতি প্ৰতিমাহে ১০ টকা আৰু হোটেলৰ ক্ষেত্ৰত কোঠাই প্ৰতি প্ৰতিমাহে ৫০ টকাকৈ কৰ সংগ্ৰহ কৰাৰ প্ৰস্তাৱ আগবঢ়াইছো । ভিডিঅ' চিনেমাৰ কৰৰ হাৰ চিনেমা হ'লৰ হাৰতে হ'ব । কথাছবি ঘৰৰ আমোদ কৰ সংগ্ৰহৰ ব্যৱস্থাৱলী সৰলীকৃত কৰাৰ কাৰণে মই ৰাজ্যখনৰ চিনেমা ঘৰবোৰত পৰ্য্যায়ক্ৰমে নিৰ্দ্ধাৰিত কৰৰ ব্যৱস্থা কৰিব খুজিছো । এই ব্যৱস্থা প্ৰথমে গুৱাহাটী মহানগৰীৰ চিনেমা হ'লত প্ৰায়োগ কৰা হ'ব । এই বিষয়ে অসম আমোদ কৰ আৰু বাজী কৰ আইন সংশোধনী বিধেয়কখন এই অধিবেশনতে উত্থাপন কৰা হ'ব ।

**প্ৰবেশ কৰ ঃ**

৭০। মাননীয় সদস্য সকলৰ বোধকৰো মনত আছে যে যোৱা বাজেট অধিবেশনৰ বাজেট বক্তৃতাত মই অসমৰ যিকোনো ঠাইলৈ আনি বিক্ৰী বা ব্যৱহাৰ কৰা কেইবিধমান বছা বছা সামগ্ৰীৰ ওপৰত অসম প্ৰবেশ কৰ বিধেয়কখনৰ কথা উল্লেখ কৰিছিলো । সংবিধানৰ ৩০৪ (খ) অনুচ্ছেদৰ অধীনত ভাৰতৰ মাননীয় ৰাষ্ট্ৰপতি মহোদয়ৰ অনুমোদনৰ বাবে এই বিধেয়কখন ১৯৯৮ চনৰ মাৰ্চ মাহত কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়লৈ প্ৰেৰণ কৰা হৈছে । কেন্দ্ৰৰ বিভিন্ন মন্ত্ৰালয়ে বিচৰামতে স্পষ্টীকৰণ দিয়াৰ পিছতো আমি এই বিধেয়কখন উত্থাপন কৰিবলৈ এতিয়াও মাননীয় ৰাষ্ট্ৰপতিৰ সম্মতি পোৱা নাই । এই ক্ষেত্ৰত আমি কেন্দ্ৰীয় চৰকাৰৰ লগত সক্ৰিয়ভাৱে যোগাযোগ অব্যাহত ৰাখিছো ।

৭১। যোৱা বাজেট অধিবিশনত মই যিসকল ব্যৱসায়ীৰ বছৰেকীয়া ব্যৱসায় ৩.০০ লাখ টকাৰ বেছি হয়, তেনে ব্যৱসায়ী সকলক অসম সাধাৰণ বিক্ৰী কৰ আইনৰ অধীনত ১০ শতাংশ কৰ আৰোপ কৰা এখন বিধেয়ক উত্থাপন কৰিছিলো । এই বিধেয়কৰ

এটা চৰ্ত আছিল যে এই কৰ ব্যৱসায়ীয়ে গ্ৰাহকৰ পৰা আদায় কৰিব নোৱাৰিব । এই চৰ্ত সন্নিবিষ্ট কৰা কাৰণে কম লাভ কৰা ব্যৱসায়ী সকল অসুবিধাৰ সন্মুখীন হৈছে । এই চৰ্ত সংক্ৰান্তত আদালতত গোচৰ তৰা হৈছে । গতিকে মই এই বিধেয়কৰ পৰা গ্ৰাহকৰ পৰা আদায় কৰিব নোৱাৰা চৰ্ত উঠাই লবলৈ প্ৰস্তাৱ কৰিছো ।

**হিচাব ১৯৯৭-৯৮ ঃ**

৭২। মহাগাননিকে দিয়া হিচাব মতে ১৯৯৭-৯৮ চনৰ বছৰটোৰ সামৰণি পৰিছিল প্ৰায় ৬০.১০ কোটি টকাৰ ঘাটিৰে । বছৰটোৰ একত্ৰীকৃত নিধি, উপনিমিত্ত পুঁজি আৰু ৰাজহুৱা হিচাবৰ পৰা প্ৰকৃত প্ৰাপ্তিৰ পৰিমাণ আছিল ১০,০৮৮.২৭ কোটি টকা । ইয়াৰ বিপৰীতে বছৰটোত মুঠ প্ৰকৃত ব্যয় আছিল ১০,১৬৭.৩৯ কোটি টকা । সেয়েহে বছৰটোৰ প্ৰচলিত লেন-দেনৰ হিচাবত প্ৰকৃত ঘাটিৰ পৰিমান হ'ল ৭৯.১২ কোটি টকা । আৰম্ভণিৰ হিচাবত ১৯.০২ কোটি টকা ৰাহিলৈ ১৯৯৭-৯৮ চনৰ বছৰটোৰ ৬০.১০ কোটি টকাৰ ঘাটিৰে সামৰণি পৰিছিল । অৱশ্যে ৩১-৩-৯৮ তাৰিখে ভাৰতীয় ৰিজাৰ্ভ বেংকৰ লগত থকা ৰাজ্যিক চৰকাৰৰ হিচাব মতে চৰকাৰৰ ২৪১.৪৯ টকা ঘাটি আছিল । ভাৰতীয় ৰিজাৰ্ভ বেংকৰ হিচাব মহাগাননিক কাৰ্য্যালয়ে সময় মতে নোপোৱাৰ কাৰণেই মহাগাননিক আৰু ৰিজাৰ্ভ বেংকৰ হিচাবত পাৰ্থক্য থাকি যায় ।

**সংশোধিত প্ৰাককলন ১৯৯৮-৯৯ ঃ**

৭৩। প্ৰাৰম্ভিক ঘাটি ১৩৫.১৫ কোটি টকা ধৰি ১৯৯৮-৯৯ চনৰ বাজেট প্ৰাক্কলনে সামগ্ৰীক ধৰনে ৭৬২.০২ কোটি টকাৰ ঘাটি দেখুৱাইছে । যি কি নহওঁক সংশোধিত হিচাব মতে বছৰটোৰ লেন-দেনত ৬২২.৪৪ কোটি টকাৰ ঘাটি দেখুৱাইছে । কিন্তু বছৰৰ আৰম্ভণিৰ ঘাটি ৬০.১০ কোটি টকা ধৰিলে বছৰটোত সামগ্ৰীক ভাৱে ৬৮২.৫৪ কোটি টকা ঘাটি হ'ব বুলি অনুমান কৰা হৈছে ।

**বাজেট প্ৰাককলন ১৯৯৯-২০০০ ঃ**

৭৪। ১৯৯৯-২০০০ চনৰ বাজেটত ৰাজ্যৰ একত্ৰীকৃত নিধিত মুঠ ৭৩১০.৪৪ কোটি টকা ৰাজহ আদায় দেখুৱা হৈছে । তাৰে ৫৫৬৭.৪২ কোটি টকাৰ ৰাজহ শিতানত আৰু ১৭৪৩.০৩ কোটি টকা মূলধন শিতানত । একত্ৰীকৃত নিধিত জমা হোৱা পুঁজিৰ বিভিন্ন উৎস ১ নং চিত্ৰত দেখুওৱা হৈছে । ৰাজহুৱা শিতানৰ ২২৬৫.৭৪ কোটি টকা ধৰি সৰ্ব্বমুঠ ৰাজহ ৯৫৭৬.১৮ কোটি টকা হব বুলি অনুমান কৰা হৈছে । ১৯৯৯-২০০০ চনত একত্ৰীকৃত

নিধিৰ পৰা ৮৫৪৪.৯৪ কোটি টকা ব্যয় হব বুলি ধৰা হৈছে তাৰে ৬৬৮৬.৫১ কোটি টকা ৰাজহুৱা শিতানত আৰু ১৮৫৮.৪৩ কেটি টকা মূলধন শিতানত । আনুমানিক খৰছত মুখ্য শিতানবোৰ ২ নং চিত্ৰত দেখুওৱা হৈছে । ৰাজহুৱা শিতানত ধৰা ১৮৬৫.৭৪ কোটি টকা খৰছকে ধৰি মুঠ খৰছ ১০৪১০.৬৮ কোটি টকা হ'ব বুলি অনুমান কৰা হৈছে । এতেকে বছৰটোৰ শেষত লেন-দেনৰ কাৰণে ৮৩৪.৫০ কোটি টকা ঘাটি হ'ব বুলি অনুমান কৰা হৈছে । আৰম্ভনিৰ ঘাটি ৬৮২.৫৪ কোটি টকা ধৰি ১৯৯৯-২০০০ চনৰ বছৰটোৰ শেষত মুঠ ১৫১৭.০৪ কোটি টকা ঘাটি হ'ব বুলি অনুমান কৰা হৈছে । বছৰটোৰ লেন-দেনৰ এটা হিচাব পৰিশিষ্টত দেখুওৱা হৈছে ।

৭৫। বৰ্ত্তমানৰ আয় আৰু ব্যয়ৰ বিসংগতিৰ কাৰণে এনে এক বৃহৎ ঘাটি হোৱাটো স্বাভাবিক । এই বৃহৎ ঘাটি প্ৰধানত দৰমহাৰ বাবদ ধৰা আনুমানিক ৮৭৫ কোটি টকা, পেঞ্চনৰ বাবদ ১৫১ কোটি টকা, দৰমহা বাদ দি আৰক্ষী শিতানত ধৰা ৩০ কোটি টকা আৰু ঋণ পৰিশোধ শিতানত ২৪২ কোটি টকা ১৯৯৮-৯৯ চনৰ বাজেটৰ তুলনাত বেছিকৈ ধৰাৰ কাৰণে হৈছে । দৰমহা মজুৰিৰ টকা দিয়াটো প্ৰায় বাধ্যতামূলক গতিকে এই শিতানত খৰছ কমোৱাৰ কোনো উপাই নাই । কেন্দ্ৰীয় চৰকাৰৰ হাৰত দৰমহা দিব লগা হোৱা হলে ঘাটিৰ পৰিমাণ আৰু ৫০০ কোটি টকা মান বেছি হলহেতেন ।

৭৬। মাননীয় অধ্যক্ষ মহোদয় মই আপোনাৰ সন্মতি সাপেক্ষে তদানীন্তন বিত্তমন্ত্ৰী স্বৰ্গীয় মতিৰাম বৰাই ১৯৫৩ চনৰ ১০ মাৰ্চত ১৯৫৩-৫৪ চনৰ ঘাটি বাজেট উত্থাপন কৰি দিয়া বাজেট বক্তৃতাৰ একাংশৰ উদ্ধৃতি পঢ়ি শুনাব বিচাৰিছো ,। "বাজেটৰ ঘাটি পূৰাবলৈ কৰ আৰোপৰ নতুন উৎস বিচাৰি মই আন্তৰিকতাৰে চেষ্টা কৰিও মই সম্পূৰ্ণ বিফল হৈছো । এনে পৰিস্থিতিত আমি কেনেকৈ তৎকালে কৰিবলগীয়া উন্নয়নমূলক কামবোৰ কৰি আমাৰ ৰাজ্যখনক দেশৰ অন্যান্য ৰাজ্যৰ সম-পৰ্য্যায়লৈ আগুৱাই নিম ? আমি কেনেকৈ দৰিদ্ৰতা আৰু অজ্ঞতাৰ নিমজ্জিত আমাৰ প্ৰজাৰ সাধাৰণ জীৱনৰ মানদণ্ড উন্নত কৰিম ? আমি কেনেকৈ দেশখনৰ চুকে-কোণে জ্ঞানৰ পোহৰ বিলাম আৰু ভূমিকম্প আৰু বানপানী আদিয়ে ধ্বংস কৰা ক্ষয়-ক্ষতি কেনেকৈ পূৰণ কৰিম ? বিভিন্ন প্ৰাকৃতিক দূৰ্য্যোগে গৃহহীন আৰু সৰ্ব্বহাৰা কৰা দুৰ্ভগীয়া মানুহখিনিক আমি কেনেকৈ ৰক্ষা আৰু সাহাৰ্য্য কৰিম ? মই উল্লেখ কৰা সমস্যা সমূহৰ সহজ সমাধান আৰু মই কৰা প্ৰশ্ন সমূহৰ সহজ উত্তৰ মই বিচাৰি পোৱা নাই । এনে পৰিস্থিতিত ন্যায় আৰু সাহাৰ্য্য বিচাৰি কেন্দ্ৰীয় চৰকাৰৰ ওচৰত হাত পতাৰ বাহিৰে কোনো গত্যন্তৰ নাই ।"


মাননীয় অধ্যক্ষ মহোদয়, মইও সেই একেই পৰিস্থিতিত পৰিছো ।

৭৭। মই ইতিমধ্যেই ঋণ পৰিশোধকৰণ পিছুৱাই দিয়াৰ বাবে কেন্দ্ৰীয় চৰকাৰক অনুৰোধ জনাইছো । ১৯৯৯-২০০০ চনৰ বছৰটোত পৰিশোধ কৰিবলগীয়া ঋণৰ পৰিমান হ'ল প্ৰায় ৭৩৫ কোটি টকা । ঋণ পৰিশোধ পিছুৱাই দিয়াৰ বাবে কৰা অনুৰোধ যদি কেন্দ্ৰীয় চৰকাৰে মন্জুৰ কৰে তেনেহ'লে এই ব্যৱস্থাই বাজেট ঘাটিৰ পৰিমাণ যথেষ্ঠৰূপে কমাব । তাৰোপৰি কৰ হস্তান্তকৰণৰ বিকল্প আঁচনিৰ অধীনত অতিৰিক্ত ভাৱে পোৱা পুঁজি তথা নিৰাপত্তাজনিত ব্যয় কেন্দ্ৰীয় চৰকাৰৰ পৰা ঘূৰাই পালে উক্ত পুঁজিৰে বাজেট ঘাটি কমাব পৰা হ'ব বুলি আশা ৰাখিছো । মই চৰকাৰী ব্যয়ৰ ওপৰত অধিক মিতব্যয়িতা অৱলম্বন কৰিবলৈ প্ৰস্তাৱ কৰিছো । মাননীয় অধ্যক্ষ মহোদয়, এই ক্ষেত্ৰত মই পবিত্ৰ সদনৰ মাননীয় সদস্য সকলৰ পৰা সম্পূৰ্ণ সহযোগিতা কামনা কৰিছো ।

৭৮। মাননীয় সদস্য সকলৰ এই কথা জ্ঞাত যে অসম বিধান সভাৰ নিয়ম আৰু আচৰণ বিধিৰ ২৬০ (এইচ) ৰ অধীনত সংশ্লিষ্ট বিভাগীয় স্থায়ী কমিটিয়ে বিভাগীয় অনুদানৰ দাবী সম্পৰ্কে পৰীক্ষা কৰি চাব । সেয়েহে মই ১৯৯৯-২০০০ চনৰ বছৰটোৰ প্ৰথম চাৰিমাহৰ ব্যয়ৰ বাবে লেখানুদান (Vote-on -Account ) বিচাৰিছো ।

অধ্যক্ষ মহোদয়, এইখিনি কথাৰেই মই পবিত্ৰ সদনৰ বিবেচনাৰ্থে এই বাজেট আগবঢ়ালোঁ ।

## ESTIMATES OF OUTFLOWS FROM THE CONSOLIDATED FUND OF THE STATE IN 1999-2000




চিত্ৰনং - ২

# পৰিশিষ্ট

## লেনদেনৰ সংক্ষিপ্ত বিবৰণ

(কোটি টকাৰ হিচাপত)

| | প্ৰকৃত<br>১৯৯৭-৯৮ | বাজেট প্ৰাক্কলন<br>১৯৯৮-৯৯ | সংশোধিত প্ৰাক্কলন<br>১৯৯৮-৯৯ | বাজেট প্ৰাক্কলন<br>১৯৯৯-২০০০ |
|---|---|---|---|---|
| **(ক) প্ৰাপ্তি** | | | | |
| ১। একত্ৰিত পুঁজি | | | | |
| বাজহ হিচাপ | ৪৩২৫.৬৬ | ৫১২০.৯১ | ৫২৫৪.৯৭ | ৫৫৬৭.৪২ |
| মূলধন হিচাপ | ৩৮২৪.০২ | ১৩৫০.০৩ | ১৬১৬.৯৩ | ১৭৪৩.০২ |
| **মুঠ** | **৮১৪৯.৬৮** | **৬৪৭০.৯৪** | **৬৮৭১.৯০** | **৭৩১০.৪৪** |
| ২। উপনিমিত্ত পুঁজি হিচাপ | ... | ... | ... | ... |
| ৩। ৰাজহুৱা হিচাপ | ১৯৩৮.৫৯ | ১৫৩২.৮৭ | ১৮৩২.৮৭ | ২২৬৫.৭৪ |
| **সৰ্ব্ব মুঠ- (১+২+৩)** | **১০০৮৮.২৭** | **৮০০৩.৮১** | **৮৭০৪.৭৭** | **৯৫৭৬.১৮** |
| **(খ) ব্যয়** | | | | |
| ১। একত্ৰিত পুঁজি | | | | |
| ৰাজহ হিচাপ | ৪০৩৮.৫৫ | ৫৪৮১.৯২ | ৬০৯৫.৮৭ | ৬৬৮৬.৫১ |
| মূলধন হিচাপ | ৩৯৫৬.৮৩ | ১৬০২.৮৯ | ১৬৫৫.৪৭ | ১৮৫৮.৪৩ |
| **মুঠ-** | **৭৯৯৫.৩৮** | **৭০৮৪.৮১** | **৭৭৫১.৩৪** | **৮৫৪৪.৯৪** |
| ২। উপনিমিত্ত পুঁজি হিচাপ | | | | |
| ৩। ৰাজহুৱা হিচাপ | ২১৭২.০১ | ১৫৪৫.৮৭ | ১৫৭৫.৮৭ | ১৮৬৫.৭৪ |
| **সৰ্ব্ব মুঠ- (১+২+৩)** | **১০১৬৭.৩৯** | **৮৬৩০.৬৮** | **৯৩২৭.২১** | **১০৪১০.৬৮** |
| **(গ) বছৰটোৰ ভিতৰত লেন-দেন** | | | | |
| বাহি (+) | ... | ... | ... | ... |
| ঘাটি (-) | (−) ৭৯.১২ | (−) ৬২৬.৮৭ | (−) ৬২২.৪৪ | (−) ৮৩৪.৫০ |
| **(ঘ) আৰম্ভণিৰ হিচাব** | | | | |
| বাহি (+) | (+) ১৯.০২ | ... | ... | ... |
| ঘাটি (-) | ... | (−) ১৩৫.১৫ | (−) ৬০.১০ | (−) ৬৮২.৫৪ |
| **(ঙ) সামৰণিৰ হিচাব** | | | | |
| বাহি (+) | ... | ... | ... | ... |
| ঘাটি (-) | (−) ৬০.১০ | (−) ৭৬২.০২ | (−) ৬৮২.৫৪ | (−) ১৫১৭.০৪ |